## সম্পাদকীয়

মানুহ, মানুহ কেৱল মানুহৰ বাবে যুগজয়ী হ'ব খোজে মানুহ। সৃষ্টিৰ কঠিয়াতলীত মানুহে সিঁচে ৰূপান্তৰৰ বীজ। ন-জীৱনৰ প্ৰত্যয় দ্বীপ আশাৰে আশীষ ধন্য হে মানুহে বিচাৰে মানুহ হ'বলৈ। হৃদয়ৰ উম্মাৰে সৃষ্টি কৰে কবিতা। কবিতাই প্ৰদৰ্শিত কৰে জীৱন। জীৱনৰ গভীৰতা প্ৰমূল্য, মানৱতা।

আজি 'মানৱতা' এনে এক সন্ধিক্ষণত নিমজ্জিত হৈছে, ক্ৰমশঃ ভৱিষ্যৎ প্ৰজন্মৰ বাবে যেন হৈ পৰিছে দোদুল্যমান অস্থিৰ জীৱন ভীক্ষাৰ দুৰ্বল অভিব্যক্তি। নিঃশেষ হৈ আহিছে যেন মানুহৰ চিৰাচাৰিত সততা বিশ্বাস আৰু মানৱতা।

এনে এক মুহূৰ্তত কবিৰ কবিতা আকাশমুখী নহৈ পৃথিৱী মুখী হওঁক। প্ৰতিজন কবিৰ কবিতাই এনে এক দিশে উন্মোচিত কৰক য'ত এখন সমাজ আৰু মানুহৰ জীয়া ছবি প্ৰতিভাত হৈ উঠিব। সত্য উন্মোচিত হওঁক কবিতাৰ জৰিয়তে। কবিতাই পীড়িত দলিতৰ কথা কৈ যাওঁক বাৰে বাৰে। নৱ-প্ৰজন্মৰ কবিতাই সদৌ অসম কবি সন্মিলনৰ কবিতা সভা সমূহত কবিতা পাঠ, আবৃত্তিৰে জীপাল কৰি তোলক। বিকশিত হওঁক প্ৰবীনৰ লগতে নবীনৰ যাত্ৰা।

তাৰবাবে 'নতুন কবিতা' হওঁক এখন বিশাল পথাৰ। যি পথাৰত উন্নত বীজ ৰোপন হৈ ঠাল ঠেঙুলীৰে পূৰ্ণ এক বটবৃক্ষৰ সৃষ্টি হ'ব। কবিসকলো ন ন বিষয়বস্তু নতুন আঙ্গিকেৰে কবিতা নিৰ্মাণৰ পথত ব্ৰতী হওঁক 'ন-কবিৰ কলমো অধিক শক্তিশালী হওঁক অনাগত দিনবোৰত। কবিৰ সভা পৰিপূৰ্ণ হৈ উঠক পুৰঠ বীজৰ ফচলেৰে। বিশ্বদৰবাৰত কবিতাৰ প্ৰাণ প্ৰতিষ্ঠা হৈ স্বকীয় প্ৰতিভাৰে জিলিকি উঠক। 'নতুন কবিতা'ৰ সুদূৰ প্ৰসাৰী যাত্ৰাত প্ৰতিজন কবিৰ অংশ গ্ৰহণেৰে মূৰ্তমান হৈ উঠক কবিতাৰ প্ৰাণ।■

— *ৰুস্তম গগৈ*

## কবিতাত এটা বাট আছে

### হিতেশ গগৈ

কাকপথাৰত হেৰুওৱা
কবিজনৰ চোলাটোৰ গোন্ধ পাইছোঁ
মানুহ বিচাৰি গৈ হেৰুৱাছিল তেওঁ
হাতত পতাকা নাছিল
আমনি লগা এটা মন আছিল
তেওঁ কবিতাই আত্মাৰ পৰা পানী তুলিছিল
তেওঁ কবিতাই আত্মাৰ তেজত তিতিছিল
তেওঁ কবিতাই বজাৰ পৰা ভাত বিচাৰিছিল

কবিতাত এটা বাট আছে
মাকুম জংঘ্নৰ দৰে ধ্যানত মগ্ন বাট
ই বিয়পি আছে সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডত

কবি আন একো নহয়
আত্মাৰ ৰথত উঠি ধেনু-কাঁড় চলোৱা মানুহ
মনন প্ৰক্ৰিয়াৰে ৰৰষুণত তিতা মানুহ ■

## অগ্নিবীৰ্য

### ৰাজেন বৰা

নামৰূপ

ৰত্নগৰ্ভা আইৰ অগিন জোন্যানিৰ্গত
অগ্নিবীৰ্য অসমীয়া মই
কাৰবি, কুকী, দফলা
মোন, মিচিং, মিচিমি,
খাম্‌তি, জয়ন্তীয়া
বড়ো, লালুং, কচাৰি
ৰাভা, হাচং, ডিমাচা,
মৌৰাং, মাইবং, মৰাণ,
আহোম, চুতীয়া মেচ,
কোঁচ, কলিতা, মহন্ত
নানাজতি-উপজাতি মিলি
সৃষ্টি হ'ল যি আদিম অসমীয়া জাতি
তাতে আহি যোগ দিলে দলে দলে
ন-অসমীয়া, মৈমনচিঙীয়া,
ফিৰিঙীয়া, বাগানীয়া
আৰু ক'ত জাতি-গোষ্ঠী
সৰে মিলি হ'লো আমি
অসমীয়া মহাজাতি
সংকীৰ্ণতা পৰিহৰি
আহাৰ-বিহাৰ আভুষণ
কৰি সংমিশ্ৰণ
অসমত জনমি, অসমৰ বায়ু-পানী সেৱি
মাটিক মাতৃ বুলি ল'লো আকোঁৱালি
অমি অসমীয়া মহাজাতি
অসমীয়া মানে ধৰ্ম নহয়
অসমীয়া মানে বৰ্ণ নহয়
অসমীয়া মানে বস্ত্ৰ নহয়
অসমীয়া মহা সমন্বয়
দিহিং, দিচাং দিখৌ
ডিবৰু সোৱণশিৰী,
ভোগদৈ, ধনশিৰী
নামদাং, নামচাং, দিচাম, দিপাম,
কলং কপিলী, সোণাই
দিবং, দিক্ৰম, মানাহ
ভৰলী, জিঞ্জীৰাম
গদাধৰ, চম্পাৱতী, আইনদী
পাগলাদিয়া, বৰাক
লুইত, মহাবাহুৰ
পাৰে-পাৰে সিঁচৰিত
অসমীয়া মই
যি দেশৰ চুকে কোণে শোভে
মাণিক, মুকুতা
আইনাম, ধাইনাম,
বনগীত, বিহুগীত
বাগৰুম্বা, ঐনিতম,
খেৰাই ঝুমুইৰ গীত
জিকিৰ, বৰগীত, সুৰদী সুৰীয়া
দিহানাম, লোকগীত
বৰকাঁহ, তেংবং, মাদল, চিফুং, খোল ঢোল
দবা, শংখ চেৰেংদাৰে ৰজনজনায় যি দেশ
সেই দেশ অসমৰ, অসমীয়া মই
এই মাটি, এই সুৰত
মত্ত মগন মই মাটিৰ মানুহ
জুইৰ ভয়ত উধান নপলায়
শব্দ এটা শুনিসেই
ভাগে জাকে জোকে
অসমীয়া কদাপি নহয়
অসমৰ মাটি, মানুহ মমতাৰ মায়াত
মগন যাৰ হিয়া
সিয়ে অসমীয়া
আই মোৰ জন্মদাত্ৰী জননী,
আই মোৰ মাতৃভাষা অসমীয়া,
আই মোৰ জন্মভূমি ৰূপহী অসম
কোনোবাই দিলে গাত হাত
নিৰ্ঘাত-নিৰ্ঘাত
আকৌ শৰাইঘাট
অসমীয়া ভাষা মোৰ হৃদয়স্পন্দন
অসমীয়া অনুভূতি আপদ-মস্তক সানি
অগ্নি বীৰ্য অসমীয়া মই। ■

## শূন্য চকীবোৰৰ কোনোবাখিনিত

### শোভেন হাজৰিকা

শূন্য চকীবোৰৰ কোনোবাখিনিতে আপুনি
শূন্য নহয়। নহয় শূন্যতাৰ এক বিৰাট আকাৰ
অথচ শূন্যতাৰ অনামী শিকলিৰে বন্ধা
আপোনাৰ হাত ভৰি আঙুলি

শূন্য উদাস ঘোলা চাৱনিৰে এনেকৈ থৰ হৈ
কাৰ চকুলৈ চাই থাকে আপুনি
নে ৰৈ থাকে কাৰোবালৈ
গধূলি গধলি।

যি কাহানিও নাহিল। নে উভতি গ'ল আহিও
যি কাহানিও নহ'ল আপোনাৰ। নে হোৱা পিছতো...

অ' আপুনিয়েই জানো সিজন। যিজনক নিতৌ লগ পায় আপুনি
শূন্যতাৰেই কোনো এক ধূসৰ দাপোনত। একাঁ-বেঁকা দীঘল হেলনীয়া ছাঁ হৈ
ক'ৰবালে গুচি যাব খোজে যিজন নিজৰেই ছাঁৰ আন্ধাৰত
সপোনতে সপোনে সজা আত্মাৰ গোপন কুঠৰীত
যিজনে আজিও সপোন দেখে সপোনহীন এক অন্য সপোনৰ

হাজাৰ হাজাৰ আলোকবৰ্ষৰ সিপাৰে
ক'ত আছিল আপোনাৰ ঘৰ
নে ঘৰ নামৰ কোনো ঘৰ নাছিল
আপোনাৰ
হাতত সাৰে ভৰিত সাৰে এই যে নিতৌ আপুনি
আত্মগোপন কৰে আপোনাৰ পৰা
আপুনি কি বাস কৰে
সেই অতীতৰো অতীতত...

যি কাহানিও নাছিল আপোনাৰ। অথবা নহ'ল নে
হোৱাৰ কথা আছিল এদিন
শূন্য চকীবোৰৰ কোনোবাখিনিতে আপুনি
এই যে বহি থাকে
আপুনি নহয়ো আপুনি শূন্য
উদাস হৈ। চাই থাকে অনন্তকাল
শূন্যতাৰ ফালে—

আপুনি
ক'ব নেকি
যে শূন্য নহয় আপুনি। নহয়
শূন্যতাৰেই এক অন্য আকাৰ? ■

## অনুভৱত ৰাম গগৈ

### দীনেচ গগৈ

উদং কেঁচা মাটিৰ গোন্ধই
মনটো জীপাল কৰে
তেতিয়া....
এহেজাৰ মাইল নিসংগ ভ্ৰমণ
কৰিও ভাগৰ নালাগে।
জনতাৰ কবিৰ কণ্ঠত বাজিছিল
অগ্নিৰ তেজোদিপ্ত গান
অন্তৰে অন্তৰে গমিচালেই বুজিব
বুকুৰ তেজেৰে আঁকা
জীৱনৰ সংগ্ৰাম...
আৰু কি জানা
শতাব্দীৰ নিষ্পেষিত জনগণে
শ্ৰমিকৰ ঘাম সাগৰত সাঁতুৰি
উন্মাদনাৰ ৰাতি পাৰ কৰে
ত্ৰাহি মধুসুধন.... ।■

## ৰাম গগৈ, সদৌ অসম কবি সন্মিলন আৰু ...

ডিগ্ৰী লাভ কৰে। উল্লেখযোগ্য যে কটনত পঢ়ি থকা সময়ত ৰাম গগৈৰ সহপাঠী আছিল শ্ৰী হোমেন বৰগোহাঁই শ্ৰী বীৰেশ্বৰ বৰুৱা, প্ৰফুল্ল বৰুৱা, বীৰেণ দত্ত আদি সাম্প্ৰতিক সময়ৰ বিশিষ্ট লেখক ব্যক্তি সকল। সৰুৰে পৰাই এটা প্ৰতিবাদী সত্বাৰ অধিকাৰী ৰাম গগৈদেৱে ব্যক্তিগত জীৱনত আছিল অত্যন্ত সৰল। সেয়েহে কান্ধুলি মাছৰ বাগৰ সলাই তেওঁ নোৱাৰিলে ৰাজপৰিষদ হব। শৈশৱতে ঘৰুৱা হাতেলিখা আলোচনী 'নৈবদ্য' নামৰ আলোচনী 'প্ৰণতি'ত ভালেকেইটা কবিতাৰে ৰাম গগৈদেৱে কাব্যজীৱন পাতনি মেলিছিল। সেই যে শৈশৱতে যি আৰম্ভ হৈছিল সেই কাব্যজীৱনৰ অন্ত পৰিল ১৯৯৪ চনৰ ৯ চেপ্তেম্বৰত। তেওঁৰ কবিতাবোৰৰ মাজেৰে মাটি আৰু মানুহ, পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ কথা ডাঙি ধৰিছে। বিশেষকৈ শোষিত, নিস্পেষিত, দাৰিদ্ৰ জন সাধাৰণৰ বা তেওঁ কবিতাবোৰৰ মাজেদি প্ৰকাশ হৈছে। ৰাম গগৈ দেৱৰ তিনিখন কাব্যগ্ৰহ প্ৰকাশ হৈছে। 'মাটিৰ স্বপ্ন' (১৯৬৩), 'হে পৃথিৱী অন্তৰতমা' (১৯৮৬) আৰু 'কোমল গান্ধাৰ' (১৯৯৪), কবিতাৰ ওপৰিও তেওঁ মাজে সময়ে গল্প আৰু উপন্যাসো ৰচনা কৰিছিল। সেই বোৰ হ'ল - 'কেএঙাবন' (গল্প সংকলন), 'স্বপ্ন-হৃদয় নদী' (উপন্যাস), 'সমূদ্ৰ সূদূৰ' (উপন্যাস) আৰু 'বিশল্যকৰণী' (উপন্যাস)। এজোৰ সাধাৰণ ধূতি চোলা, কান্ধত এখন গামোছা আৰু এটা সেউজীয়া মোনাত কবিতাৰ টোপোলালৈ অঘৰীৰ দৰে অসমৰ গাঁৱে ভূএেঁও অনুষ্ঠিত কবি সন্মিলনবোৰত অংশ গ্ৰহণ কৰি স্বৰচিত কবিতা পাঠ কৰিছিল ৰাম গগৈদেৱে। ১৯৮৬ চনত মধ্য প্ৰদেশৰ ভূপাল চহৰত অনুষ্ঠিত বিশ্ব কবিতা সন্মিলনত অসমক প্ৰতিনিধিত্ব কৰিছিল। পৰৱৰ্তী সময়ত এই কবি গৰাকীয়ে দিল্লী, ভূৱনেশ্বৰ, কলিকতা, শ্বিলং আদিতো কবিতা পাঠৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। 'An evening with the poets' নামৰ ইংৰাজী কাব্য সংকলনত ৰাম গগৈৰ দুটা কবিতা ইংৰাজীত প্ৰকাশ হৈছিল। অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিৱেশনৰ কবি সন্মিলনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল ৰাম গগৈদেৱে। চীন চৰকাৰৰ আমন্ত্ৰণক্ৰমে এটি সজাতি দলৰ স'তে ৰাম গগৈ চীনলৈ গৈছিল আৰু তাত অনুষ্ঠিত আন্তজাতিক অনুষ্ঠানত কবিতা পাঠ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। ১৯৮৭ চনৰ ৫, ৬ চেপ্তেম্বৰত নামৰূপত সমলয় কবিজনাৰ উদ্যোগত আৰু সমলয় আলোচনীৰ সহযোগত এখন কবি সমাৰোহ হয়। উক্ত সময়ত সমলয় মুখ্য উপদেষ্টা আছিল প্ৰয়াত ৰাম গগৈ, মুখ্য সম্পাদক জনাৰ্দ্দন মহন্ত, আৰু সম্পাদনা সমিতি প্ৰদীপ হাজৰিকা, মাখন দত্ত জুলিয়ানা বেগম, শশাংকজ্যোতি খাওন্দ, সম্পাদনা সহযোগী পৰশমণি বৰদলৈ, মাখন বৰুৱা, অজিত বৰা, কাৰ্যালয় সহযোগী মিনা হাজৰিকা, সহযোগী পুণ্যপ্ৰভা বৰুৱা, আলোকচিত্ৰ— পৰাগ ফুকন, পৃষ্ঠপোষক— দিলীপ বৰুৱা আৰু ব্যৱস্থাপনাত আছিল— আনন্দ দত্ত। এই সমলয়ৰ উদ্যোগত যি সদৌ অসম কবি সন্মিলন গঠন হৈছিল তাৰ সভাপতি হৈছিল— ৰাম গগৈ, সম্পাদক, আনন্দ দত্ত, সহঃসম্পাদক—অৱনী চক্ৰৱৰ্তী, বীৰেণ হাজৰিকা, কোষাধ্যক্ষ - শ্ৰী সুশীল কুমাৰ গগৈ। সৰ্বমুঠ ৪৫ জন সদস্যৰে তদৰ্থ কমিটিখন গঠন কৰা হৈছিল। কবি সন্মিলনৰ জন্মৰ মুহুৰ্ত্তৰ পৰা ১৯৯৪ চনত মৃত্যু পৰ্ন্ত ৰাম গগৈ সভাপতিৰ দায়িত্বত আছিল। শিৱসাগৰৰ আমাৰ ঘৰখন তেওঁৰ ভাত ঘৰৰ দৰে আছিল। শিৱসাগৰলৈ আহিলে অথবা গুৱাহাটী নগাওঁ আদিৰ পৰা আহিলে শিৱসাগৰ নামি তেওঁ আমাৰ ঘৰ পাইছিলগৈ আৰু গা-পা ধূই ভাতপানী খাই কেতিয়াবা এৰাতি থাকিছিল। শিৱসাগৰৰ বীৰেণ হাজৰিকা, ৰঞ্জুমণি গগৈ, ৰনজিত শৰ্মাৰ ঘৰলৈও গৈছিল আৰু কেতিয়াবা নিশা যাপন কৰিছিল। ১৯৯৪ চনত অসম সাহিত্য সভাৰ শিৱসাগৰত অধিবেশন হওঁতে ৰাম গগৈ ছাৰ তেওঁৰ দুজনী ছোৱালীৰ স'তে ৫ দিনকৈ আমাৰ ঘৰৰ আলহী হৈছিল। ছাৰ মোৰ ঘৰত থকাৰ গম পাই সেই সময়ত অবনী চক্ৰৱৰ্তী, উৎপল নাথ, বিনন্দ বৰুৱা, ৰাম গোস্বামী আদি অসমৰ বহুতো বৰেণ্য কবিৰ পদধূলা আমাৰ গৃহত পৰিছিল। ৰাম গগৈ ছাৰক আমাৰ স্কুটাৰৰ পিছত বহুৱাই শিৱসাগৰৰ বহুতো ঠাইত কবি সন্মিলন কৰাৰ স্মৃতি আমাৰ মনত সজীৱ হৈ আছে। মৃত্যু তিথিত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছো। ■

## কবি সন্মিলনত উদীয়মান কবিৰ গুৰুত্ব ...

কবিতাই শব্দ আৰু সুৰৰ মাজেৰে আত্ম প্ৰকাশ কৰিছে। কিন্তু পৰিৱৰ্তনৰ ধামখুমিয়াত বৰ্তমানৰ কবিতাৰ বিষয়বস্তু, ধ্যান-ধাৰণা ইত্যাদিৰ সাল-সলনি ঘটিছে যদিও সাহিত্য জগতত কবিতাৰ ধাৰা সেই একে আছে। বৰ্তমান যুগত কবিতাৰ জনপ্ৰিয়তা যথেষ্ট বৃদ্ধি পাইছে, বিশেষকৈ নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ মাজত ইয়াৰ চৰ্চা আৰু অনুশীলন ক্ৰমাৎ বৃদ্ধি হোৱা দেখা গৈছে। কিন্তু অতি পৰিতাপৰ বিষয় যে বৰ্তমানেও কবিতাৰ লেখকৰ তুলনাত পাঠকৰ সংখ্যা তেনেই নগন্য। কবি সন্মিলন সমূহে নৱ-প্ৰজন্মৰ যুৱক-যুৱতীসকলক কবিতাৰ প্ৰতি আগ্ৰহী কৰিবৰ বাবে যথেষ্টখিনি পদক্ষেপ হাতত লোৱা গৈছে। কবিসকল হৈছে একো একোজন শিল্পী যি কবিতাৰ মাধ্যমেৰে এখন সু-পৰিকল্পিত সমাজ গঢ়িবৰ প্ৰয়াস কৰে। গতিকে, তেনে কবিসকলক বিশেষকৈ নৱ-প্ৰজন্মৰ উদীয়মান কবিসকলক এখন মঞ্চ প্ৰদান কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা জগাই তুলিব লাগে। প্ৰতিখন কবি সন্মিলনতে সভাৰ উদ্দেশ্য ব্যাখ্যা হিচাপে নৱ-প্ৰজন্মক আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা বুলি বক্তব্য আগবঢ়াই যদিও ই কাৰ্যক্ষেত্ৰত হৈ নুঠে। প্ৰতিখন কবিসন্মিলনতে নৱ-প্ৰজন্মৰ কবি সকলৰ সলনি প্ৰতিৰ্ষ্ঠিত কবিসকলক বেছি গুৰুত্ব দিয়া পৰিলক্ষিত হয়। প্ৰতিৰ্ষ্ঠিত কবিসকল সদায় প্ৰতিৰ্ষ্ঠিতই, নৱ-প্ৰজন্মৰ কবিসকলক প্ৰতিৰ্ষ্ঠিত কৰাব পৰাটোহে আঁচল কথা। প্ৰকৃতাৰ্থত ক'বলৈ হ'লে সেইজন যিজনে নিজৰ লগতে আন দহজনকো এনে ধৰণৰ মঞ্চ প্ৰদান কৰি সাহিত্যনুৰাগী কৰি তুলিব পাৰে। বহু সন্মিলনত আৰম্ভণিতে যিমান মানুহৰ বা কবিৰ সমাগম হয় পাছলৈ সেই পৰিমাণ কমি একেবাৰে নোহোৱা হৈ পৰে। কিয়নো মই আগতেই উল্লেখ কৰিছো যে প্ৰতিৰ্ষ্ঠিত কবি সদায় প্ৰতিৰ্ষ্ঠিতই। সেইবাবেই প্ৰতিৰ্ষ্ঠিত কবি সকলক আগতীয়াকৈ কবিতা পাঠ কৰিবলৈ মাতি নিয়া হয় আৰু নিজৰ কবিতা পাঠ কৰি ব্যক্তিগত অসুবিধা দেখুৱাই সেই মঞ্চৰ পৰা বিদায় লয়। যাৰ পৰিপ্ৰেক্ষিতত কবিতা পাঠ কৰিবলৈ খাপপিটি থকা উদীয়মান কবিৰ মনত এক বিপৰীত ধাৰণাই ক্ৰিয়া কৰে। কোনো কোনো ক্ষেত্ৰত এনে পৰ্যায় পাইগৈ যে খালী হৈ পৰা চকী—মেজৰ সন্মুখত পাঠ কৰিব লগা হয়। অকল যে এই ক্ষেত্ৰত কবি সন্মিলনেই জগৰীয়া এনে নহয়, সংবাদ মাধ্যম বা বাতৰি কাকতসমূহো যাক আমি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কওঁ সেইবোৰো সমানে জগৰীয়া। সংবাদ মাধ্যম কবিৰ তুলনাত। কিয়নো প্ৰতিষ্ঠিত কবিসকলৰ নামেই যাৰ পৰিচয়। যাক আমি চমুকৈ 'কবি' বুলি আখ্যা দি আহিছো। লাগিলে লেখা যেনেকোৱাই নহওঁক কিয় তেওঁলোকৰ নামতেই বাতৰি কাকত বা আলোচনীৰ প্ৰথম স্থান দখন কৰে। যাৰ পৰিপ্ৰেক্ষিতত নৱ-প্ৰজন্মৰ উচিত মানদণ্ডৰ লেখাও ডাষ্টবিনৰ কোণত স্থান লাভ কৰে। মুঠৰ ওপৰত যিমানেই কাগজে কলমে বা যিমানেই ভাষণ নিদিয়ক কিয় যদিহে নৱপ্ৰজন্মক আগবঢ়াই নিবলৈ যিখিনি কৰণীয় আছে সেইখিনি কাৰ্যক্ষেত্ৰত পৰিণত কৰিলেহে নৱপ্ৰজন্মৰ মাজত কাব্যনুৰাগী বৃদ্ধি পাব। লগতে নতুন প্ৰজন্মসকলক প্ৰতিষ্ঠিত কবিসকলৰ সমানেই স্থান দিব লাগিব। তেতিয়াহে সাহিত্যৰ পথাৰখনত উৎকৃষ্ট মানদণ্ডৰে বৰ্তি থাকিব। এই ক্ষেত্ৰত সদৌ অসম কবি সন্মিলনৰো বহুকিনি কৰিব লগা আছে। কবি সন্মিলনৰ জন্মৰ ৩০ বছৰ অতিক্ৰম কৰাৰ পাছতো আজিলৈকে নতুন কবি সকলৰ বাবে কোনো নতুন চিন্তাধাৰা কৰা দেখা পোৱা নগ'ল যদিও বৰ্তমানৰ নৱনিৰ্বাচিত সদৌ অসম কবি সন্মিলনৰ সম্পাদক উজ্জ্বল পাওগামৰ নৱপ্ৰজন্মৰ কবিসকলক সমাজৰ আগত উলিয়াই অনাৰ বা কবিতাৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে প্ৰত্যেক মাহৰ অন্তৰে অন্তৰে নৱপ্ৰজন্মৰ কবিৰ মাজত 'কাব্যচৰ্চা'ৰ দৰে যিখিনি কাৰ্যপন্থা হাতত লৈছে প্ৰকাশ কৰিছে, সেই সমূহ যদি সঁচাকৈয়ে কাৰ্যলৈ ৰূপান্তৰ কৰে তেনেহ'লে ভৱিষ্যতে নৱপ্ৰজন্মৰ কবিসকলে কাব্যজগতত এক সুকীয়া পৰিচয় দাঙি ধৰিব পাৰিব বুলি আশা কৰিব পাৰি। ■

## প্ৰগতিবাদী চিন্তাৰ কবি ৰাম গগৈৰ...

সীমাবদ্ধ নহৈ সমগ্ৰ বিশ্বৰ জনগণৰ খবৰ বিলাই দিছিল। কৃষক বিপ্লৱৰ কাৰিকৰ ৰাম গগৈৰ 'মাটিৰ স্বপ্ন' আৰু হে পৃথিৱী অন্তৰতমা' কবিতাপুথি দুখনৰ প্ৰায়খিনি কবিতাই প্ৰগতিবাদী কবিতা। গভীৰ আন্তৰিকতাৰে কবিয়ে ব্যক্তি আৰু সমাজৰ সামগ্ৰিক সত্তাক স্বীকৃতি দিছিল। ব্যক্তি আৰু সমাজৰ দ্বন্দ্ব আৰু প্ৰগতিক ৰাম গগৈৰ সৃষ্টিৰ জৰিয়তে পাঠকে উপলব্ধি কৰে। সমাজতান্ত্ৰিক বাস্তৱবাদৰ মুক্ত আৰু অকৃত্ৰিম শক্তিসালী প্ৰকাস ঘটিছে ৰাম গগৈৰ কবিতাত। মানৱতাবোধৰ গভীৰ চেতনা আৰু আশাবাদ ৰাম গগৈ প্ৰগতিবাদী কবিতাৰ আধাৰ। সহজ-সৰল জীৱন আৰু অভাৱ অনাটনে টলাব নোৱৰা ৰাম গগৈ ভাৰতীয় কমিউনিষ্ট দলৰ প্ৰতি আসক্ত আছিল। সুসংহত সাধনা, ঐকান্তিক নিষ্ঠা আৰু প্ৰগতিবাদী চিন্তাত ব্ৰতী ৰাম গগৈয়ে এটা সৰল জীৱনৰ মাজেৰে সমাজৰ প্ৰৱাহমান সোঁতৰ বিপৰীতে যাত্ৰা কৰিছিল। প্ৰগতিবাদী চিন্তাৰ কবি ৰাম গগৈৰ কবিতা দেশৰ মাটিৰ গোন্ধৰে পূৰ্ণ। পৃথিৱীৰ মানুহৰ সংঘাত আৰু সংঘৰ্ষ, সম্ভৱনা আৰু প্ৰত্যয়, প্ৰেম আৰু বেদনাৰ ইতিহাসেৰে কবিৰ কবিতা পৰিপূৰ্ণ। নিষ্পেষিত জনগণৰ প্ৰতি গভীৰ সহানুভতি আৰু বলিষ্ঠ আশাবাদ প্ৰেম আৰু আন্তৰিকতাই ৰাম গগৈৰ কবিতাসমূহৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছে। প্ৰগতিবাদী চিন্তাৰে ৰচনা কৰা কবিতা সমূহত কবিয়ে প্ৰচলিত সমাজ ব্যৱস্থাৰ অৱসান বিচাৰিছে। দেশত দেখা দিয়া মুদ্ৰাস্ফীতি, চোৰাং

ন পৃষ্ঠাত

## কবিতা প্ৰতিবাদৰ ভাষা হওঁক

সংখ্যা কমি গৈছে। ম'বাইল, ফেচবুক, হোৱাটচএপ আদিৰ ব্যৱহাৰেও বিশেষকৈ যুৱচামক অধ্যয়ন বিমুখ কৰিছে। আজি সমাজৰ চৌপাশ দুৰ্নীতি, হত্যা, অনিয়ম বলাৎকাৰ আৰু নাৰীৰ প্ৰতি অসৎ আচৰণৰ প্ৰকোপ সীমাৰ বাহিৰ হৈ গৈছে। আইনৰ দুৰ্বলতা, আমাৰ উদাসীনতা আৰু অনীহা, আৰক্ষীৰ ব্যৰ্থতা আদি ইয়াৰবাবে প্ৰধানকৈ জগৰীয়া। সমান্তৰালভাৱে অভিভাৱকসকলো জগৰীয়া। নিজৰ বিপথগামী সন্তাসকল আজি নিয়ন্ত্ৰণৰ বাহিৰ হৈ গৈছে। বিলাসৰ সকলো সামগ্ৰী যোগান ধৰা লোকসকলে কিন্তু কেইটামান টকা খৰচ কৰি এখন কিতাপ সন্তানক কিনি নিদিয়ে। প্ৰতিবাদৰ ভাষা আজি আমি যেন হেৰুৱাই পেলাইছোঁ। এই ক্ষেত্ৰত কবিতাক আমি প্ৰতিবাদৰ ভাষা ৰূপে ব্যৱহাৰ কৰিব লাগিব। সাম্প্ৰতিক কবিকুলো যেন এই দিশত পিছ পৰি আছে। এহাতে কবিতাৰ দুৰ্বোধ্যতা আনহাতে ভাৱ বিলাসিতাৰ কবলত কবি আৰু কবিতাৰ সামাজিক দায়বদ্ধতাৰ প্ৰশ্নটো ক'ৰবাত পৰি ৰৈছে। আহক আমি কবিতা পঢ়ো আৰু লিখো। কবিতাক আমি প্ৰতিবাদৰ অস্ত্ৰ কৰি তোলো। ■



## কঁপি থকা শিখা

**প্ৰদীপ গগৈ**

নামৰূপ

শব্দই আঁচোৰে
অচিনাকী অজানাতেই জীৱনৰ নতুন

আঁচোৰ নমৰা কথাই
কি দৰে আগবঢ়াই নিব ?

জপনাত দৈনন্দিন
জপনা খুলি নিদিলে খোজ
পোৱা যায় জানো সুখ ?

বন্ধ আচ্ছাদনত দেৱদাসী
কেৰমৰ গুটি আৰু গাঁতৰ দৰেই
আৱদ্ধ আকাশ

তিৰোতা কাহানিও নিজৰ বাবে নহয়--
তোমাৰেই মুখত শুনা পাওঁ যি কথা
বুজো
নেইল পলিচ শুকোৱা সময়খিনিহে
তিৰোতাৰ একান্ত নিজা

নিশ্বাসৰ আঁৰে আঁৰে তুমিয়েই কোৱা
জীৱন মানে সপোন
সপোনেই জীৱন

সন্দেহৰ পাহাৰ ভাঙি আহা
হে, প্ৰিয়তম বিশ্বাস

কঁপি থাকে বুলিয়েই
আন্ধাৰে নোৱাৰে নাশিব
শিখাই বিলোৱা পোহৰ■

## পিতাইৰ সীয়নি ছিগা কামিজটো

**মৌচুমী বৰুৱা**

গহপুৰ

কাহানিও পিন্ধি পোৱা নাছিল
মোৰ নিচলা পিতায়ে
খাজে খাপে খোৱা
খমখমীয়া এটা নতুন চোলা।
তাহানিৰে পৰা পিতাইৰ দেহত
উৰলি যোৱা চোলা
আজোখা, বৰণ হেৰোৱা।
শৈশৱৰে পৰা
পিতাইৰ সীয়নি ছিগা কামিজত
মোৰ অপৈণত হাতৰ
ৰঙা নীলা সূতাৰ চিলাইৰ
এৰাব নোৱাৰা বুজাপৰা...
লুণীয়া ঘামেৰে সেমেকি সেমেকি
যেতিয়াই নৰখা হয় ছিগা সীয়নি
খাটনি ধৰো, "আনচোন কিনি
তোলৈকো এটা নতুন চোলা, পিতাই"
কাণত গুজি থোৱা আধা খোৱা বিড়িটো জ্বলাই
আধা পকা দাড়িত হাত বুলাই বুলাই
সন্তোষেৰে উত্তৰ দিয়ে পিতাই
"তই ডাঙৰ মানুহ হ'লে নিতৌ নতুন চোলা
পিন্ধিম দে, আই"
চিলাবলৈ ঠাই নোহোৱা চোলাটো সলাই
ধনীৰাম মহাজনৰ পৰা
খুজি আনি পিন্ধি লয়
পিতাইৰ শীৰ্ণ দেহটো গিলি পেলোৱা
এটা পূৰণি আজোখা চোলা।
বজাৰৰ খমখমীয়া নতুন চোলাবোৰে
প্ৰলোভিত কৰিব নোৱাৰে
পিতাইৰ ত্যাগৰ মস্তক।
পুঁজিবাদৰ সকলো ৰণ কৌশলক ইতিকিং কৰি
প্ৰাচুৰ্যৰ সকলো প্ৰাপ্তিকে তুচ্ছ কৰি
সীয়নি ছিগা আজোখা কমিজটো পিন্ধিয়েই
সন্তোষেৰে হাঁহি হাঁহি
শ্মশানলৈ গুচি গ'ল মোৰ নিচলা পিতাই....
এতিয়া মই ডাঙৰ মানুহ পিতাই
তোৰ কামিজৰ ছিগা সীয়নিতে
থিয় কৰিছোঁ প্ৰাচুৰ্যৰ প্ৰাসাদ
তথাপিও মই যে
তোতকৈ বহুত নিঃকিন পিতাই
তোৰ সন্তোষৰ হাঁহিটো
মই যে কাহানিও মাৰিব পৰা নাই। ■

## ভালপোৱাৰ সীমা

**গীতাশ্ৰী দুৱৰা গগৈ**

বৰষুণ ভালপাওঁ বুলি
বানক জানো চোতাল গৰকিবলৈ দিব পাৰি

পোহৰ ভালপাওঁ বুলি
বিজুলীক জানো চকুত ঠাই দিব পাৰি

দুন্দুভিৰে দেৱতাক পূজো বুলি
গাজনিক জানো বুকুত সোমাবলৈ দিব পাৰি

বৰষুণ দিলে আত্মীয়তা বাঢ়ে
তেনে সম্পৰ্ককেই আঁতৰাই থওঁ
যি কাৰণ হ'ব পাৰে হাজাৰজনৰ হাহাকাৰৰ

চকুত চকু থৈ বুকুত হাত থৈ
কথা ক'বলৈ টান
যিদৰে অভাৱ
দুখৰ কাঁহীত লগে ভাগে খোৱা লগৰীয়াৰ

সান্ত্বনা এক প্ৰকাৰৰ সাহাৰ্য
যি খন্তেকতে শাঁত পেলাব পাৰে ভোকক
কিন্তু নিৰ্মূল কৰিব নোৱাৰে ভোকৰ উৎসক ■

## আই, তোৰ কাষলে যাব পৰা নাই

**অৰুণ বৰুৱা**

আইৰ উৰলি যোৱা আচলৰ ছাঁতে
উমলিছিলো মোৰ নিচলা শৈশৱে
জোনৰ লণ্ঠন জ্বলাই
চোতালত আইতাৰ কোলাত বহি
পৰী দেশৰ সাধু শুনি থাকোতেই
কেতিয়ানো গৈছিলো টোপনি
তই যে ডাঙকোলা কৰি নি
থৈছিলিগৈ শুৱাই
শেতেলিতে কিবা কিবি
বকিলে নিশা
গোঁসাই থাপনালৈ আগবঢ়াইছিলি চাকি...

পুৱাই উঠি কিমান যে
আব্দাৰ কৰিছিলো তোক
বাৰাণ্ডাত থৈলা পাৰি
চিঞৰি চিঞৰি আওঁৰাইছিলোঁ
পঢ়াশালিৰ পাঠ
এইবোৰেই আছিল
শৈশৱৰ নিলিখা ইতিহাস....

সেই দিনবোৰেই সুখৰ আছিল আই
তোৰ ফিছিকি যোৱা চাদৰেৰে
ঢাকিছিলি জীৱনৰ য'তমানে ঘাট...
দুখত থাকিও তই সুখত আছিলি
আমাৰ পৰা লুকুৱাই মচিছিলি চকুলো
কাহানিও তই ভাগৰি পৰা নাছিলি
সপোনবোৰে ঘৰ সাজিছিল তোৰ দুচকুত...

কিমান দিন যে হ'ল -
আই, তোৰ খবৰ বাতৰি এটাও ল'ব পৰা নাই।
বস্তুবাদী পৃথিৱীত তই ভৱাৰ দৰে
মই হৈ থকা নাই
যাওঁ বুলি এবাৰ তোৰ কাষলৈ
সময়বোৰকে চোন মিলাব পৰা নাই
ভোগবাদী সমাজত
বিক্ৰী যোৱা গোলাম হৈ পৰিছো আই
সুৰুঙা মিলাব পাৰিলেই
এপাক যাম দে আই
তোৰ হাতেৰে এসাজ খোৱাৰ হেঁপাহ
কিমান দিনৰ পৰা যে
ৰাখিছো পুহি...
শেতেলিত একেলগে শুম নিশা
অ'ত দিনে বুকুত সাঁচি থোৱা
কথাবোৰ কৈ তোক
পাতলাম মনৰ কিছু বেথা....

তই পাৰ কৰি অহাৰ দৰে
ইয়াত এতিয়া মোৰ
কোনো অভাৱী জীৱন নাই
তথাপিও
প্ৰাচুৰ্যতাৰ মাজত থাকিও
তোৰ দৰে চোন প্ৰাপ্তি
কাহানিও বিচাৰি পোৱা নাই
তোৰ এধানি শৈশৱৰ সান্নিধ্য বাবে
হৃদয় বৈ থাকে সদায়
হাহাকাৰৰ নদী, আই।■



## ঘৰ

**ডাঃ অতুল চন্দ্ৰ খাউণ্ড**

নাৰায়ণপুৰ

দিবতো নোৱাৰো বিশাল সম্পত্তি
গোটাব নোৱাৰো অলেখ ধন
নাই যে মোৰ কপটীয়া মন
চান কাঢ়ি ল'বলৈ সমাজৰ ধন।
কিয় লাগে অট্টালিকা কংক্ৰিটৰ
যদিহে নহয় সম্বন্ধ সুখৰ
সেয়ে শেতেলিত যদি
উজাগৰে নিশা পাৰ হয়
তেন্তে বিশাল অট্টালিকাৰ
প্ৰয়োজন কিহৰ?
মন মোৰ পাতিবলৈ এখন ঘৰ
চেনেহৰ মাৰলি হ'ব
ৰুৱা হ'ব মৰমৰ
ভালপোৱা আবেগেৰে বেৰ দিম
বুজাবুজিৰ মাজেৰে ভগাম
সুখ-দুখ দুয়োজনৰ।■



## জোনাক নিশা

**মায়া শৰ্মা**

উত্তৰ লখিমপুৰ

জোন গলা গধূলিত,
জোনাক নীৰৱে সৰে মোৰ পদূলিত।
আবতৰীয়া বৰষুণ এজাকে চুই যায়
মোৰ জোনাকী পদূলি,
জোনাকীবোৰ আহি ভীৰ কৰেহি
মোৰ দুহাতত,
ঠিক জেতুকা পাতৰ দৰেই।

নিশা সাৰে থাকে জোনাকবোৰ মোৰ স'তে
আৰু মই সাৰে থাকো
জোনাকবোৰৰ স'তে।
জোন গলা জোনাক নিশবোৰত কথা
পাতো গোপনে সিহঁতৰ স'তে,
এটি দুটিকৈ বহু কথা হৃদয়ৰ।■

## দুচকুৰ স্বপ্ন

**স্বপ্না ডি নাথ**
দুলীয়াজান



ভাৱনাৰ শীতল ছাঁত
বৰ্ণিল শব্দই সাৰ পাই
হৃদয়ৰ দিনলিপিত

ক'ৰপৰা আৰম্ভ কৰোঁ
সীমাহীন ভাৱনাই ভুমুকি মাৰে
ইফালে-সিফালে।

আইৰ বুকুৰ পিয়াহত মুখ গোজাৰে পৰা
মোৰ হেনো ঠেহ এটা আছিল,
কথাতে কথা থৈ কৈছিল এদিন
ঠেহবোৰ ভাঙি ভাঙি ভাগিব পৰা
নাছিল আইজনী
আলফুলকৈ ডাঙৰ কৰিছিল
সেউজীয়া সপোনটো
এবুকু আশাৰে।

সপোনেও নিজৰ বাট ল'লে
চিৰাচৰিত নিয়মৰ বান্ধোনেৰে...
চকুলো টুকি বিদায় দিলে
ৰঙীন ভৱিষ্যতৰ খোজেৰে।

এতিয়া
মই সেই বাটেদি আগবাঢ়িছো
ক্ৰমশঃ
আশা-নিৰাশাৰ অযুত সপোন
বুকুত লৈ,
কলিজাৰ একোণত সাঁচি ৰখা
আইৰ সপোনটো
দেখা পালো চকা-মকাকৈ
এপলক দৃষ্টিৰে প্ৰাণ ভৰি চালো
এবুকু চেনেহ উজাৰি।■

## ধূলি আৰু ৰ'দৰ সাঁজ

**অংকুৰ জ্যোতি বুঢ়াগোহাঁই**
তিতাবৰ

জোনটোৰে মেঘৰ জলডাৰে
জুমি চাই
বতাহে উৰুৱাই ভাগৰুৱা পাত,
বহু পলমকৈ উভতি অহা
নাৱৰীয়াৰ ডাঁৰৰ শব্দত
সাৰ পাই এটি চৰাইৰ মাত
সহজ সৰল এটি সত্য
পোহৰৰ অবিহনে সকলো
পৰিত্যক্ত আৰু মৃত।
মই দেহত মেৰিয়াই ল'লো
ধূলি আৰু ৰ'দৰ সাজ
বাৰুদৰ বুকু এৰি
ধপলিয়াই অহা শব্দই হৰে
চোতালৰ কপৌজনীৰ মাত ■

## জীৱনৰ পদ্য

**জগত গগৈ**
লখিমপুৰ

কেতিয়াবা মোৰ এনে লাগে যেন
কিলবিলাই থকা পোক-প্ৰত্যংগৰ মাজত
ধৰফৰাই আছো দিক্‌বিদিক হেৰুৱাই
জীয়াই থকাৰ তাড়নাতে যেন
ঘৰ এৰি অঘৰী হৈছো
দাবীপ এৰি দ্বীপান্তৰিত হৈছো

বেলি এটা থপিয়াই আনিব খোজোতেই
মোৰ মূৰৰ ওপৰত আকাশখন খহি পৰিল

মই শংকিত হৈ পৰিলো
কাৰণ বেলিটোও যদি হুৰুককৈ খহি পৰে
মূৰৰ ওপৰতে!

কিয় যে এনে কৰিলো বাৰে বাৰে
কম্পিত হৈ প্ৰশ্ন কৰিছো নিজকে
কিহৰ তাড়নাত চট্‌ফটাই আছো?

এই প্ৰশ্নৰ উত্তৰ বিচাৰি বিচাৰি
ক'ৰ মানুহ ক'ত পালোহি

এই এটা প্ৰশ্নৰ উত্তৰৰ বাবেই যেন
আমাৰ এই অবিৰত যাত্ৰা

অথচ আমি নাজনো
আমাৰ এই যাত্ৰাৰ অন্ত ক'ত?■

## ঈশ্বৰেৰো ভুল হয়

**মিতালী মহন্ত**

ভুল এটা কৰি
শিয়ৰি উঠো
বিচৰা ধৰণৰ বাটতো হেৰুৱাও
কঢ়িয়াই ফুৰোঁ অভিমানৰ টোপোলা

ভুলৰ বোকোচাত উঠি
থমকি ৰওঁ
কোলাহলৰ টেটুচেপাত পিছলৈ চাওঁ
নিৰ্জন অটব্যত বাট হেৰুৱাও
উপলা নদীৰ পাৰত পথভ্ৰষ্ট হওঁ

ছন্দিয়াই যোৱা ভুলৰ বাবেই
উদং হয় চোতাল
নীৰৱ হৈ পৰে ক্ষন্তেকতে বৰঘৰ
ওলমি ৰয় পৰাধীনতাৰ কংকাল।

এৰা, ভুল ন'হবৰ বাবেই সৰুতে আয়ে
চিৰিপনী নৈছিল
ককাইদেউতাই কৈছিল
'ঈশ্বৰেৰো ভুল হয়, মনুষ্য? ■

## সূৰ্যাস্ত আৰু...

**হেমচন্দ্ৰ ভূঞা**
লক্ষীমপুৰ

উজুটিত এটুকুৰা হাড়
বোকা মাটিৰ ৰং লাগি
চিনিব নোৱাৰি,
দুগন্ধ, মাথো দুগন্ধ,
এদিন এই টুকুৰা হাড়কে
কেঁচা মাংস ছালে আৱৰি ৰাখিছিল
তাত আছিল তেজ
আৰু এটি প্ৰাণ,
কিন্তু আজি,
নিস্প্ৰাণ নিস্তেজ,
সৌ সূৰ্যটোলৈ চোৱাছু
ডাৱৰে আৱৰি ধৰিছে
খন্তেকতে আন্ধাৰ হ'ব
সূৰ্যটো নোহোৱা হ'ব
ৰাতি হ'ব... গহীন ৰাতি।
ৰাতিৰ পিছত
ৰাতি পুৱাব
বেলিটো আকৌ ওলাব
এটা কোমল পুৱা,
কিন্তু তাৰ আগতে
ৰাতি হ'ব
একো নেদেখা হ'ব
আৰু...
আৰু বহুতো।■



## বিচ্ছেদ

**প্ৰণয়া পূজা বৰগোহাঞি**
সৰুপথাৰ টাউন

পুৱাতেই লুতুৰি-পুতুৰি তাই
একাঠু বোকাত
হাতৰ এমুঠি সেউজীয়াৰে তাই এটি দুটিকে
পথাৰখনত বুটা বাছে।

দুভৰিত পায়েল পিন্ধি দৌৰ মাৰে
সেউজীয়াৰ ফাঁকে ফাঁকে
সৰু সৰু আলিয়ে আলিয়ে
সেউজীয়াই হাঁহে,
পায়েলৰ ঝুনঝুনিত
সেউজীয়াৰ কঁকাল ভাগে।

এজাক বৰষুণ আহে
টুপ টুপ টিপ টিপ
ঝৰ ঝৰ সৰ সৰ
হেন্দোলিয়াই হেন্দোলিয়াই এসাগৰ বান আহে
ক্ৰমাৎ চুটি হয় সেউজীয়াৰ উশাহবোৰ

গছৰ ফেৰেঙণিত তাই ৰাগ টানে
সেই ৰাগ বিচ্ছেদৰ
তাই আৰু সেউজীয়াৰ।■

## ৰোৱনী

**কাব্যশ্ৰী হাজৰিকা**
গোলাঘাট

যাৰ লিহিৰি আঙুলিৰ পৰশ লাগি
উদং পথাৰখনে বৰণ সলাই
কঁকালত হাচতি বন্ধা
ৰ'দ-বৰষুণ নিচিনা
এওঁৰে পথাৰৰ শুৱনি ৰূপহী ৰোৱনী

তামোলৰ পাকত ওঁঠযুৰি ৰাঙলী কৰি
মাজপথাৰত যাৰ মুখত
ভাঁহি আহে সুললিত গুণগুণনি
তেওঁৰে হেঁপাহৰ ৰোৱনীজনী।

পানী জোকডালেও মৰমেৰে সাৱতি
ৰাঙলী ৰস অলপ হুহি
জীপাল কৰি লয় নিজৰো শৰীৰ
তাতো যে খবৰ নাই
আমাৰ ৰোৱনাজনীৰ
বকুত মাথোঁ হাজাৰ আশা
সেউজীয়াৰ পৰা সোঁণাৱালী হওঁক সপোনৰ
পথাৰডৰা। ■

## অজগৰ মথাউৰি

**ৰাতুল চেতিয়া ফুকন**
চফ্ৰাই

মথাউৰি চিগিল অ' মথাউৰি
হিলদল ভাঙি বৈ গ'ল পানী
আমাৰ বুকুৰ ওপৰেদি
ফেনে ফুটুৰাৰে।

অজগৰ মথাউৰি
ফোপোলা নিৰাপত্তাৰ আশ্বাসত
খৰালি কালৰ স্বপ্ন
অজগৰ মথাউৰি
তই কাৰ খিৰতী গাই?
ধমহকৈ নদীৰ বুকুত জাহ গ'ল
সপোনৰ আপোন ঘৰখন
আহঃ কাল সপোনটোক টেটুচেপি
আমি এতিয়া আশ্ৰয় শিবিৰত।
চকুপানী বোৰ বানপানীয়ে ধুলে,
কলমটিওৱা পেটটোক সান্ত্বনা দিলো
তুমি দিয়া এডোখৰ টেঙা ব্ৰেড
আৰু টেটৈবা পৰা এটা কলেৰে।
এনেকৈয়ে বছৰে বছৰে
এচি ৰুমত পৰ্য্যালোচনা চলে
ভাঙি যোৱা সপোনৰ হিচাপ
লাভাংশৰ অংক
অজগৰ মথাউৰি
ফোপোলা আশ্বাসৰ গৰাকী
তোতকৈ নদীখনেই ভাল।■

# সৰু পথাৰত কবি অমূল্য বৰুৱাৰ স্মৃতিত যুদ্ধ সন্ত্ৰাস আৰু সাম্প্ৰদায়িকতাৰ বিৰোধী দিৱস পালন

সদৌ অসম কবি সন্মিলনৰ উদ্যোগত গোলাঘাট জিলা আৰু ধনশিৰি মহকুমা কবি সন্মিলন আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে অমূল্য বৰুৱাৰ স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। গোলাঘাট জিলাৰ সম্পাদ পাৰ্থ প্ৰতীম শইকীয়াই আঁত ধৰা মুকলি সভাত সভাপতিত্ব কৰে জিলা কবি সন্মিলনৰ সভাপতি ৰাজু মণি বড়াই। উক্ত সভাত সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে ৰুস্তম গগৈৰ সম্পাদিত মুখপত্ৰ নতুন কবিতা উন্মোচন কৰে। সভাত সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ড° মাণিক শইকীয়া, বিশিষ্ট কবি গংগামোহন মিলি, উৎপল দলে অংশগ্ৰহণ কৰে। কবি সন্মিলনৰ প্ৰধান সম্পাদক উজ্জ্বল পাওগামে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত বিশিষ্ট কবি পৰাগজ্যোতি মহন্তৰ সঞ্চালনাত অনুষ্ঠিত কবি সন্মিলনত দুকুৰিও অধিক নবীন-প্ৰবীন কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।■

# *কবি সন্মিলনৰ শাখা গঠন*

জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জন্মস্থান। গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত ঢেকীয়ালত সদৌ অসম কবি সন্মিলনৰ এটি শাখা অলপতে গঠন কৰে। ঢেকীয়াল উচ্চতম মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত বিৰেণ বৰা, লখিমী বৰদলৈ শইকীয়াক মুখ্য উপদেষ্টা, মৃদুল কুমাৰ বৰাক সভাপতি, ছবি বৰুৱা, জয়শ্ৰী দত্ত, ভাৰতী ফুকন, প্ৰাৰ্থ প্ৰতীম দত্তক উপ-সভাপতি, পাৰিজাত বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন কমিটি গঠন কৰা হয়।■

# যোৰহাট জে.বি কলেজত কবি সন্মিলনৰ কাব্যচিন্তন

কবিতাক মানুহৰ প্ৰিয়তম সম্পদত পৰিণত কৰাৰ উদ্দেশে আৰু নতুন কবিসকলক চৰ্চাৰ বাবে এখন উপযুক্ত মঞ্চ দিয়াৰ লক্ষ্যৰে সদৌ অসম কবি সন্মিলনৰ অভিনব পদক্ষেপ কবিতা বিষয়ক বক্তৃতা অনুষ্ঠান কাব্য চিন্তন অলপতে যোৰহাট জে.বি কলেজৰ অসমীয়া বিভাগৰ সহযোগত ১ নং আলোচনা কক্ষত অনুষ্ঠিত হয়। সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক উজ্জ্বল পাওগামে আদৰণি ভাষণ প্ৰদান কৰে। আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক, বিশিষ্ট কবি প্ৰাণজিৎ বৰাই অসমীয়া কবিতা আৰু আধুনিকতা বিষয়ত বক্তৃতা প্ৰদান কৰে। বিশিষ্ট সমালোচক ড° মাণিক শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাত কেইবাজনো বিশিষ্ট কবি সাহিত্যিকে ভাষণ আগবঢ়ায়।■




নতুন কবিতা উন্মোচনৰ এটি মুহূৰ্ত

# শুকুলা ঘোঁৰা বিচাৰি

**হেমন্ত নাথ**
নগাঁও

কি যে মৌ-সনা ৰাগী সময়ৰ
কি যে কৃষ্ণচূড়া ৰাগি জীৱনৰ

তেজ ফিৰিঙতিত
নানাবিধ জীৱাণুৰ ডেডাউৰি
বোকাত মৰা হাঁহিৰে
অনুৰাধা তোমাৰ কবিতা...

অসহায় মানসকন্যা
পৰিধি নমনা...

এই যে নিমিষতে আহি বেলি
নিমিষতে সাজে আলি
জোৰাৰে মোহাৰে নিমিষতে
অলেখ আবেগ কিম্বদন্তী
কণ্ঠত বয় বোবা শব্দ
মগজুৰ গলিৰে ঢপলিয়াই
চাউল আৰু দাইলৰ
ভিক্তিহীন দুটামান সৰু চিন্তা...

অনুৰাধা...
কাঁইটীয়া খোজে প্ৰতি তোমাৰ কবিতা...

আজি নিতাল সময়
ডায়েৰীৰ পাতবোৰ
অনুজ্জ্বল কোঁহবোৰ
বুকুৰে শিপোৱা
আক্ৰান্ত সোপাকে সপোন ৰঙীণ...

ক্ষণভংগৰ সময়ৰ এয়ে নিয়ম নেকি
অনুৰাধা...
লাজ ঢাকিবলৈকে এসাজ
আৰু
বুকুৰ চকু ঢাকিবলৈকে এটা কবিতা...■

# *কবিতা আকাশমুখী নহৈ পৃথিৱীমুখী হ'ব লাগিব*

## ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্মভূমি চফ্ৰাইত কবি সন্মিলনৰ সমিতি গঠন

কাব্য হৈছে উচ্চস্তৰৰ এক অনুভৱী চিন্তা। প্ৰকৃত অৰ্থত কাব্য চৰ্চা কৰা লোকে কেতিয়াও অসৎ কাম কৰিব নোৱাৰে। কবিতা আকাশমুখী নহৈ পৃথিৱীমুখী হ'ব লাগিব এই বুলি নতুন প্ৰজন্মৰ কবিলৈ আহ্বান কৰি সদৌ অসম কবি সন্মিলনৰ পত্ৰিকা নতুন কবিতাৰ সম্পাদক ৰুস্তম গগৈয়ে ড° বিৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্মভূমি চফ্ৰাইত অলপতে অনুষ্ঠিত এখন সভাত বক্তব্য আগবঢ়ায়। চৰাইদেউ জিলাৰ চফ্ৰাই উচ্চ মাধ্যমিক বিদ্যালয়ত সমাজকৰ্মী মুহিবুদ্দিন আহমেদৰ পৌৰহিত্যত অনুষ্ঠিত সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চৰাইদেউ কবি সন্মিলনৰ উপ-সভাপতি তথা বিশিষ্ট কবি দিচেন গগৈ, কবি অমলা গগৈ, শিক্ষয়িত্ৰী কবি বীণা বাউৰী, মণিকা শ্যাম আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। উদীয়মান কবি মিণ্টু তাঁতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত তমিজউদ্দিন্দন আহমেদ, মণিকা শ্যামে গীত পৰিৱেশন কৰাৰ লগতে কবি অমলা গগৈ, বীণা বাউৰী, ৰাতুল চেতিয়া ফুকন, চাহিদা বেগম, লীনু তাঁতী, ৰূপেশ তাঁতীৰ কবিতা পাঠে অনুষ্ঠানটো অধিক জীপাল কৰি তোলে। উক্ত সভাতে ৰাতুল চেতিয়া ফুকনক সভাপতি মুহিবুদ্দিন আহমেদ, বীণা বাউৰী, মণিকা শ্যামক উপ-সভাপতি, মিণ্টু তাঁতীক সম্পাদক, ইন্দ্ৰ কোঁৱৰ, আজমত আলি, প্ৰণয় শংকৰ দত্ত আৰু আব্দুল কাদিৰক সহঃ সম্পাদক, মুহিজুতদ্দিন আহমেদ আৰু ৰূপেশ তাঁতীক যুটীয়া পত্ৰিকা সম্পাদক, চাহজাহান ৰহমান, চাহিদা বেদম, তাজউদ্দিন আহমেদ, ইণ্টু দত্তক প্ৰচাৰ সম্পাদক আৰু জিণ্টী গগৈ, মাচুমা বেগম, লীনু তাঁতী, পৰিস্মিতা ফুকন, ৰাহিদা বেগম জাচিনা বেগম আৰু কেইবাগৰকাকীলৈ চফ্ৰাই শাখা কবি সন্মিলন খনি গঠন কৰা হয়।■

## আহিনে আঘোণে পথাৰখন

**ভাস্কৰ ভজনী**

আন বহুতৰে থকাৰ দৰে
আহিনীয়া পথাৰৰো থাকে
এটা সুকীয়া সত্ত্বা
বহুতৰে থকাৰ দৰে থাকে
বুকুৰ কোনোবা একোণত
আত্মপৰিচয়ৰ এক গোপন অহংকাৰ;
সেই অহংকাৰ আমাৰ অহংকাৰৰ দৰে
তৰাং নহয়
আত্মপ্ৰত্যয়ৰ আৱৰণেৰে আবৃত
সেই সেউজ অহংকাৰ
গভীৰ আৰু গভীৰ,
আবিস্তীৰ্ণ সেউজীয়াৰে আহিনৰ হে বিশাল পথাৰ
বৈ থকা ৰিৰ ৰিৰ বতাহজাকিত বাজি উঠে
মানুহৰ পৃথিৱীত নোগোৱা সমতাৰ গান
সম্ভৱনাবোৰ বুকুত সামৰি লৈ
ভেদা-ভেদহীনতাৰ চানেকী আহিনৰ অ' সেউজ পথাৰ
তোৰ বাত্ময়তাক জনাওঁ নমস্কাৰ।

আঘোণৰ পথাৰৰো থাকে সুকীয়া পৰিচয়
আহিনীয়া পথাৰৰ দৰেই,
এই পৰিচয় সমতাহীনতাৰ
ৰঙা, ক'লা, হালধীয়াৰ বিভিন্নতা
গুণ আৰু ধৰ্মৰ পৃথকতা
উচ্চ আৰু নীচৰ বৈষম্যতা
ভেদা-ভেদৰ চানেকী আঘোণৰ অ' বিশাল পথাৰ
তোৰ বিশৃংখল আৰু কোলাহলৰ কথকতাক
বাৰে বাৰে কৰো তিৰস্কাৰ ■

## সংজ্ঞা

**সঞ্জীৱ সাগৰ চৌধুৰী**



গোলাপৰ
হাঁহিতহে যেন

ফুলনিৰ এহতীয়া বুকু
মিচিকীয়া মুখ

বাটৰুৱাৰো ইফালে
চকু থৰ
পখিলা নে ভোমোৰা
কোন হ'ব প্ৰেমিক
দুয়ো
নে সকলো
মৌপিয়া কি
কামনাৰ প্ৰতীক
মালি ক'ত
ক'ত মালি
সৌৰা
কচন্দাৰ কাষত
আহা
প্ৰেমৰ সংজ্ঞা সোধো
তেওঁক।■

## পথাৰ কবি ৰাম গগৈৰ স্মৃতিত এটি অনুভৱ

**ৰূপামণি গগৈ**

তুমি কবি পৃথিৱীৰ
সেউজীয়া পথাৰৰ,
তোমাৰ সৃষ্টিত জীপাল হয়
খেতিয়কৰ মিনা কৰা সপোন।

কৃষকৰ সংগ্ৰামে
সংগ্ৰামী তুমি,
তোমাৰ হিয়াৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
নিগৰিত হয় মানৱৰ
মিঠা প্ৰেমৰ সুবাস।

মাটিৰ প্ৰেমত
পথাৰৰ প্ৰেমত
প্ৰেমাকুল হৃদয়।

কৃষকৰ অলেখ সপোন আৰু
যন্ত্ৰণাবোৰ আহি বাহ সাজে
তোমাৰ বুকুত,
দুখবোৰ বিয়পি যাই
তেজে তেজে শিৰাই শিৰাই

ব'হাগৰ প্ৰথম জাকে বৰষুণে
দুখবোৰ ধুৱাই
সিঁচি দিয়ে তোমাৰ অনুভৱত
স্বপ্নৰ মুঠি মুঠি বীজ,

অনুভৱৰ কাপেৰে নিগৰিত হয়
স্বপ্নাতুৰ কৃষকৰ অলেখ গান
আশা আৰু সোণালী সপোনৰ
এটি এটি কবিতা
পথাৰৰ।■

## বায়ু

**গুণ মৰাণ**

গেলেকী

নঙলা খোলা আছে
দৰ্জা খোলা আছে

মাতি আছো
সঁহাৰি নাই
বোলো ঘৰত কোনোবা আছেনে?

যদি ঘৰত দেও-মনিচ এটাও নাই
তেন্তে ভিতৰত কাৰ ফুচফুচনি শুনিছো

উশাহ-নিশাহ, কথা-বতৰা সকলোতে
মই নহ'লে নচলে
তথাপি মোৰ পৰা লুকুৱাবলৈ চেষ্টা কৰিছা

মোৰ বুকুত ঘৰ সাজি মোকে চিনি পোৱা নাই
পথালি চকুৰাৰ কৰ্ম দেখি হাঁহিম নে কান্দিম।■



## তুমিও শিল্পী

**মধুছন্দা শইকীয়া**

(প্ৰতিজন কৃষকৰ হাতত)
সোণাৰি

তোমাৰ কপালৰ কেঁচাঘামৰ পৰশত
সাৰ পাই উঠে পৃথিৱীৰ সপোন
ঠন ধৰি উঠে চন্ পৰা পথাৰ।
তোমাৰ যাদুকৰী হাতৰ নিপুন পৰশত...
ৰদ, বতাহ, বৰষুণ পিঠিত বান্ধি তুমিয়েই সিঁচি দিয়া।
সপোনৰ একাঁজলি সোণগুটি শইচ্ ধৰিত্ৰীৰ বুকুত।
হে কৃষক, বন্ধু কৃষক
তুমিও শিল্পী, চিৰকালৰ শিল্পী তুমি
তোমাৰ হেঁপাহৰ আহিনত সেউজীয়া হয়
তামবৰণীয়া বিশাল পথাৰে
শইচৰ স'তে বতাহে গীত জোৰে।
লাই হালে-জালে আবেলি বতাহে।
ওলমি-জামলি বাঢ়ি আহে লাহে লাহে
তোমাৰ বুকুৰ সেউজীয়া সপোন
সোণবৰণীয়া হৈ পৰে আঘোণ
কুঁৱলী ফালি-ফালি জাকে জাকে দাৱনি
হাতে হাতে কটাৰী-কাঁচি ৰ'দ জিলমিল মিচিক হাঁহি।
প্ৰাণৰ পথাৰত ৰবাব খাবলৈ উভতি আহে
সপোন সোঁণোৱালী শইচ, বুকুৰ লখিমী
আঘোণৰ সোণালী সুবাসত এতিয়া হৈ জ্বলে।
তোমাৰ দেহৰ পৰিশ্ৰমৰ টোপালবোৰ
নৈয়ে হাঁহে পথাৰে হাঁহে।
পখীজাকে সুৰীয়া গীত জোৰে উলাহেৰে।
তুমি আকাশক হৃদয় প্ৰণিপাত জনোৱা গোপনে
গোপনে
তোমাৰ ভৰসাত পৃথিৱীয়ে হাঁহে
আশাৰ পথাৰত জ্বলে হৃদয়ৰ আকাশবন্তি
হে কৃষক, প্ৰাণৰ বন্ধু কৃষক
সঁচাই তুমিও শিল্পী, চিৰকালৰ
নিপুন শিল্পী তুমি....■

## এলান্ধু

**দিব্যজ্যোতি বড়া**

কোনোবাখিনিত আউল লাগি
খেৰীঘৰৰ চাকনিত ধোঁৱাবোৰ এলান্ধু হৈ বৈ যায়।
শেতেলিত সপোনটিও শোট-মোচ খোৱা
বাহিৰলৈ চাওঁ
খৰাং-বাৰিষাৰ হিচাপ...
মেটেকাতলিত বিদ্ৰূপ কেতেকীৰ চমকি উঠে
সেয়ে, কৰবাত আকৌ পুৰাবোৰতে
জীয়া নৈখনে ভাল পাবলৈ ল'ক ব'হাগত;
গৰ্ভস্থ সন্তানটিও খচৰাত
ডাউকক সোধক-সুখী আৰু অসুখী গঞাৰ কথকত■

## বিশ্বাসৰ সিপাৰৰ জোন

**বাণীকান্ত লহকৰ**

তোমাৰ বুকুত ঢালি দিয়া শোণিতাখনি
বুকুৰ উমেৰে উতলালা
কলিজাত গুজি ল'লা জোন

বিশ্বাসৰ গোলাপী লগ্ন জামু
লমা লমে লাগিছে
হৃদয়ৰ বাহিৰে-ভিতৰে

তুমি তুলি ধৰিব জানা
বিশ্বাসৰ জোন
বিশ্বাস আছে বাবে
বুকুৰ কলিজা তোমাক দিছো
যাক তুমি নিজৰ বুলি ভাবা

কোনোদিন কেতিয়াও মন
অনুসিদ্ধক্ষ হৈ উঠা নাই
বেৰৰ ফুটাৰে জুমি চোৱা নাই
নাভাবিবা আমাৰ কঠুৱা হৃদয়
বিশ্বাসৰ যিডাল ৰচিবৰে বান্ধা
তাৰ পাকটো আমিয়ে গুঠা
সৃষ্টিৰ পৃথিৱীত মই কুলি হতভাগিনী।■



## কবিতা

**পুতুলী মুদৈ**

নগাঁও

বিষাদৰ আবিৰবোৰ নীলা
বুলি যদি তুমি ভাবিছা
সাতসৰী সুৰেৰে
কৰুণ ৰাগিণীৰে
বুৰাই পেলোৱা হৃদয়
এটোপ-দুটোপকৈ
মৌ ৰস নিগৰিব।
হাচ্ নাহানা, তগৰ বকুলে
সুগন্ধি বিলাব।
সুৰভিৰে,
আমোলমোলাই
তুলিব ধৰা
মাথোঁ জীৱনটো
উকা কেনভাচ্
নহয়।
নহয় বৰ্ণহীন মৰু
সাগৰ নীলা সেউজীয়াই
তাকে কয়
মই আছো আৰু
থাকিম
চিৰদিন
চিৰকাল
নতুন নতুন ৰূপত।■

# পুথি পৰিচয়

ড° মানিক শইকীয়া
প্ৰাক্তন সভাপতি, সদৌ অসম কবি সন্মিলন

এই শিতানৰ লিখাখিনি কবিতা পুথিসমূহৰ সমালোচনা বা পৰ্যালোচনা বুলি ধৰি নলবলৈ পাঠকসকলক আগতীয়াকৈ অনুৰোধ জনাই লৈছো। পুথি পৰিচয় বুলি ক'লেই যথেষ্ট হ'ব যেন লাগে। বিভিন্ন সময়ত পোৱা কবিতা সংকলনসমূহৰ সমালোচনা একোটা লিখি উলিওৱাতো বহু সময়ত সম্ভৱ হৈ নুঠেগৈ। অথচ গ্ৰন্থসমূহ প্ৰদান কৰাৰ সময়ত প্ৰায় সকলোৱেই তেনে একোটা আশা কৰে। সেয়েহে প্ৰথমতে এনেদৰেই 'গাণ্ডীৱ'ৰ পাঠকসকলৰ আগত পৰিচয় একোটাকে ডাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। এই লেখাৰ ওপৰত ভিত্তি কৰিয়েই ভৱিষ্যতে সমালোচনামূলক প্ৰৱন্ধ একোটা ৰচনা কৰাৰ ইচ্ছাও নথকা নহয়। সেই আশা কিমান দূৰ কাৰ্যত পৰিণত কৰিব পাৰিম সেয়া সময়েহে ক'ব। তাৰ আগলৈকে এই সামান্য পৰিচিতিৰ যোগেদিয়েই সংশ্লিষ্ট কবিসকলক অসমীয়া কবিতাৰ জগতখনলৈ স্বাগত সম্ভাষণ জনাইছোঁ।

**উৎপল দলেৰ — "*নল বিৰিণাৰ সুহুৰি*"**

নল বিৰিণাৰ সুহুৰি শুনি শুনি ডাঙৰ হোৱা নৈপৰীয়া মিচিং ডেকাৰ আলসুৱা মনৰ প্ৰকাশ। বহুকেইটা কবিতাত প্ৰেম আৰু প্ৰকৃতি একাকাৰ হৈ পৰিছে। কবি প্ৰশাসনিক বিষয়া। উৎপল দলেৰ এশটা কবিতাৰ সংকলন। 'আগকথা'ত কবিয়ে উল্লেখ কৰিছে —"মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ধনশিৰিৰ সংগমথলীৰ পাৰতে এদিন পৃথিৱীৰ প্ৰথম পোহৰ দেখিছিলো।" সেই ধনশিৰি মূখতে শৈশৱ-কৈশোৰ আৰু যৌৱনৰ সৰহভাগ সময় পাৰ কৰা কবিয়ে ভাল পাইছিল সমাজ, ভ্ৰমণ আৰু সংগীত। কিন্তু তাৰ মাজতে 'এদিন কবিতাই বুকুৰ গোপন স্থান এৰি মোৰ হাতত ধৰা দিলেহি' বুলি উল্লেখ কৰা কবি গৰাকীয়ে অসমৰ কেইবাজনো আগশাৰীৰ কবিৰ জন্মস্থান বোকাখাতত, সেইসকলৰ সান্নিধ্যত কবিতাৰ আদিপাঠ গ্ৰহণ কৰিছিল। এইগৰাকী কবি 'দল হৰিণৰ চিঞৰ' আৰু 'ধনশিৰি মুখৰ জিলিঙনি' নামৰ গ্ৰন্থৰো সম্পাদনাৰ লগত জড়িত আছিল। 'নল বিৰিণাৰ সুহুৰি' যেয়ে সেয়ে নুশুনে। শুনিব নাজানেও। সেইফালৰ পৰা চালে কবিৰ কবিতা সংকলনটিৰ নামটোতে কবিৰ কল্পনাপ্ৰৱণ মনৰ পৰিচয় পোৱা যায়। সংকলনটো পাঠকে ইতিমধ্যেই আদৰি লৈছে।

প্ৰকাশক ঃ শব্দ, যোৰহাট
প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০১৫
বেটুপাত ঃ মনজিৎ ৰাজখোৱা
মূল্য ঃ ১০০/- টকা

**ৰাজুমণি বেজবৰুৱাৰ — "আবেলি বেলিৰ চুমা "**

সদৌ অসম কবি সন্মিলনৰ উপ সভাপতি হোৱাৰ উপৰিও গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতিৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা কবি ৰাজুমানি বেজবৰুৱাই গুৱাহাটী বিশ্বদ্যিালয়ত পঢ়ি থকা অৱস্থাতে প্ৰকাশ কৰিছিল প্ৰথমখন কাব্য সংকলন 'আবেলি বেলিৰ চুমা'। এটা কাব্যিক নামেৰে পাঠকৰ বাবে আগবঢ়াই দিয়া সংকলনটোত প্ৰায় ডেৰকুৰি কবিতা সংকলিত হৈছে। কবিতা সংকলনটি দুটা বাগত বিভক্ত বুলি ক'ব পাৰি। প্ৰথম অংশত ২৫ টা কবিতা প্ৰকাশিত হৈছে। ইয়াৰ পিছৰ অংশটো জনপ্ৰিয় কবি হীৰেণ ভট্টাচাৰ্যৰ নামত উৰ্ছগা কৰি কবিয়ে লিখিছে — " শ্ৰদ্ধাৰে হীৰুদাৰ হাতত মোৰ হৃদয়ৰ তোমাৰেই এমুঠি ৰং'।

নিতান্ত কম শব্দৰ ব্যৱহাৰৰ জৰিয়তেই বক্তব্য বিষয়ৰ সাৰ্থক উপস্থাপন বেজবৰুৱাৰ কবিতাবোৰৰ বিশেষ বৈশিষ্ট্য বুলিব পাৰি। সংকলনটিৰ 'পাতনি'ত বিশিষ্ট কবি সমীৰ তাঁতীয়ে সঠিকভাৱেই উল্লেখ কৰিছে—" তেওঁৰ কবিতাত যৌৱনৰ সহজাত উছাহ-উদ্দীপনা আছে সঁচা, কিন্তু সেইবুলি কবি দায়িত্বহীন নহয়। . . অনুভূতি তেওঁৰ একান্ত নিজৰ, কিন্তু প্ৰকাশ ভংগীত বহুজনৰ প্ৰভাৱ পৰিছে যেন লাগে।"

প্ৰকাশক ঃ ৰাজুমণি বেজবৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়।
প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ১৯৮৯
বেটুপাত ঃ দীপ শইকীয়া
মূল্য ঃ ১২/- টকা

**অংকুৰজ্যোতি বুঢ়াগোহাঁইৰ — "দুখ মোৰ কবিতাৰ সম্ৰাট"**

অংকুৰজ্যোতি বুঢ়াগোহাঁইৰ 'দুখ মোৰ কবিতাৰ সম্ৰাট' নামটোৱে সচেতন পাঠকক প্ৰথিতযশা কবি হীৰেন ভট্টাচায'ৰ বিখ্যত পংকিত 'দুখ মোৰ কোলাৰ কেচুৱা' লৈ মনত পেলাই দিব যেন লাগে। মহাকবি বাল্মীকিয়েও দেখোন 'শোকত আকুল হৈ ' প্ৰথম শ্লোক ৰচনা কৰা বুলি উল্লেখ কৰি গৈছে। কালক্ৰমত প্ৰাচ্য-পৃথিৱীৰ কবি আৰু কাব্যৰসিকসকলে সামগ্ৰিকভাৱেই এনেদৰে ভৱাৰ ইতিহাস বৰ বেছি পুৰণি নহয়। সদৌ অসম কবি সন্মিলনৰ সভাপতি আনিছ উজ জামানে লিখিছে 'অংকুৰৰ কবিতাত সজীৱতা আছে, প্ৰাণ আছে শতজনৰ প্ৰাণত বাজি থকা শব্দ আছে।' অৱশ্যে সুন্দৰ সুন্দৰ তৎসম শব্দৰ প্ৰতি অত্যাধিক আৰ্কষণে অংকুৰক অসুবিধাতো পেলাব পাৰে। কবিতাৰ পংক্তিবোৰ কেতিয়াবা কেতিয়াবা গদ্যৰ ফালে ঢাল খাব খোজে। সংকলনটিত থকা 'দুভাগ নিশা'(দোভাগ নিশা), ব'হাগ (বহাগ) 'অন্যন্যা' (অনন্যা) আদি শব্দবোৰৰ বন্ধনীৰ ভিতৰত থকা ৰূপটোহে শুদ্ধ।

প্ৰকাশক ঃ শব্দ, যোৰহাট।
প্ৰথম প্ৰকাশ ঃ নভেম্বৰ, ২০১৫
বেটুপাত ঃ মনজিৎ ৰাজখোৱা
মূল্য ঃ ১০০/- টকা

**ৰাজেন বৰাৰ — "প্ৰিয়তমা পৃথিৱীৰ প্ৰেম পয়োধিত"**

একালৰ সদৌ অসম কবি সন্মিলনৰ উপ সভাপতি, ৰাজেন বৰাৰ প্ৰিয়তমা পৃথিৱীৰ প্ৰেম পয়োধিত কবিৰ তৃতীয়খন প্ৰকাশিত গ্ৰন্থ। গ্ৰন্থখনিত দেশ-জাতি-মাটি-মানুহৰ খবৰ সুন্দৰভাৱে প্ৰকাশিত হৈছে। কেইবাটাও কবিতাত নাটকীয় প্ৰকাশভংগীৰ সহায়ত বক্তব্য বিষয়ক সংহতভাৱে উপস্থাপন কৰাতো মন কৰিবলগীয়া। সদৌ অসম কবি সন্মিলনৰ ৰূপালী জয়ন্তী বৰ্ষত প্ৰকাশিত কাব্য সংকলনটি কবিয়ে অসমীয়া কাব্য পৰম্পৰালৈ কেৰ্কেটুৱাৰ বাঁহপাতেই ভেটি হিচাপে আগবঢ়াই দিছে। কিন্তু সহজেই ধাৰণা কৰিব পাৰি সংকলনত সন্নিবিষ্ট কবিতাসমূহ বাঁহপাতৰ ভেটি নহয় তাৰ পৰিবৰ্তে সুদৃঢ় ইমাৰত গঢ়িব পৰা কষটি শিলহে। কিছু পৰিমানে দীঘল কেইটামান কবিতা আবৃত্তিৰ বাবে অত্যন্ত উপযোগী বুলি বিবেচিত হ'ব। কবিতা সংকলনটিৰ প্ৰকাশক জগদীশ গগৈ।

**আৰতি দেৱী শৰ্মাৰ— "*অচিনা মনৰ এমুঠি অনুভূতি*"**

অন্তৰৰ নিভৃত কোণত সময়ে সময়ে গুজৰি গুমৰি থকা ভাৱ আৰু অকৃত্ৰিম অনুভূতিবোৰৰ স্বাভাবিক প্ৰকাশ ঘটিছে আৰতি দেৱী শৰ্মাৰ 'অচিনা মনৰ এমুঠি অনুভূতি' নামৰ কবিতা সংকলনত। সংকলনটিত ডেৰকুৰি কবিতা সংকলিত হৈছে। স্খলিত মানৱতা আৰু প্ৰকৃতিৰ বিভিন্ন ৰূপৰ লগতে বিভিন্ন ঋতুৰ প্ৰতিচ্ছবি প্ৰকাশিত হোৱা সংকলনটিৰ শব্দচয়ন সহজ-সৰল। কেইবাটাও কবিতাত সহজাত অনুভূতিৰ সাৰ্থক প্ৰকাশ মন কৰিবলগীয়া।

প্ৰকাশক ঃ জাক্কা প্ৰকাশন, মৰাণহাট।
প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০১১

**লম্বেশ্বৰ চেতিয়াৰ— "ঈশ্বৰক লগ পোৱা হলে"**

বেলেগ বেলেগ নামেৰে হলেও ঈশ্বৰ প্ৰায় সমগ্ৰ পৃথিৱীৰ মানুহৰ বাবেই এক গুৰুত্বপূৰ্ণ অথচ অনধিগম্য প্ৰপঞ্চ। ঈশ্বৰ প্ৰাচ্য-পৃথিৱীৰ প্ৰায় সকলো মানুহেই নিজ নিজ জীৱনৰ নিয়ন্তা বুল বিশ্বাস কৰে। সেইকাৰণেই হয়তো প্ৰত্যেক মানুহৰে অন্তৰত এটা আকাংক্ষা থাকে 'ঈশ্বৰক লগ পোৱা হলে . . . ' জীৱনৰ আটাইবোৰ অপূৰ্ণতা, অপ্ৰাপ্তি সমৰ্পণ কৰি পূৰ্ণতাৰ পথৰ সংকেত কামনা কৰিব পৰা গ'লহেতেন। এনে এক তাৎ পৰ্যপূৰ্ণ নামেৰে প্ৰকাশিত লম্বেশ্বৰ চেতিয়াৰ কাব্য-সংকলনখনিত ৫০ টা কবিতা সংকলিত হৈছে। এগৰাকী কৃতি শিক্ষক আৰু সুদক্ষ প্ৰাৱন্ধিখ চেতিয়াদেৱৰ আন এটি কাব্য সংকলন 'চেচুৰনি বিল'। আলোচ্য সংসলনত প্ৰকাশিত কবিতাবোৰে যে পাঠকক আকৰ্ষণ কৰিব সেই বিষয়ে সন্দেহ নাই।

প্ৰকাশিকা ঃ বিদ্যাৱতী চেতিয়া
প্ৰথম প্ৰকাশ ঃ জুন, ২০১৩।
মূল্য ঃ ৫০/- টকা

**মৌচুমীৰেখা খাউন্দৰ— "*দেও লগা চাদৰ*"**

আশীৰ দশকৰ শেষৰ ফালে 'সপ্তৰ্ষী'ৰ সম্পাদনাত যোৰহাটৰ পৰা প্ৰকাশিত 'অন্তৰংগ' নামৰ ক্ষুদ্ৰ কবিতা আলোচনীত প্ৰথম কবিতা প্ৰকাশ কৰা মৌচুমীৰেখা খাউন্দে প্ৰায় দুটা দশকৰ পিছত বিভিন্ন কাকত আলোচনীত প্ৰকাশিত আঢ়ৈ কুৰি কবিতাৰ এই সংকলনত পাঠকে স্বাভাবিকতে এক সংহত কাব্যিক প্ৰকাশভংগীয়েই আশা কৰিব। কবি গৰাকীয়ে এই প্ৰত্যাশা পূৰণ কৰিব পাৰিছে বুলিলে সত্যৰ অপলাপ কৰা নহব। বিষয়বস্তু বিবিধতাৰ পৰিবৰ্তে এগৰাকী অনুভৱী নাৰীৰ মনৰ মাজত সততে খেলা কৰা ভাৱৰ অনুষংগসমূহেই সংকলনটোৰ কবিতাসমূহৰ মূল আধাৰ। অৱশ্যে কোনো কোনো ঠাইত প্ৰকাশভংগীসমূহলৈ অধিক মনোনিবেশ কৰি সংহত ৰূপ দিয়াৰ থল আছিল। উদাহৰণ স্বৰূপে 'এখন ঘৰ পাতিছিলো' নামৰ কবিতাত 'লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা, মাৰ সৰু বাপেৰ সৰু, তই হবি বৰ গৰু' এই গোটেই কথাখিনি নিলিখি কেৱল প্ৰথমৰ শাৰীটোৱেই কাম চলাব পৰা গ'লহেতেন। আশাকৰো কবিতে ভৱিষ্যতলৈ এনেবোৰ কথালৈও মনোযোগ দি সাৰ্থকভাৱে কাব্যচৰ্চা অব্যাহত ৰাখিব।

প্ৰকাশক ঃ বেদকণ্ঠ প্ৰকাশন

তিনিকুৰি দহোটা কবিতাৰ সংকলন 'বিপন্ন ম্যুঙ্ ডুন চ্যুন্ খাম'ৰ কবিতাসমূহত কবি জিতুল কুমাৰ গগৈৰ সামাজিক দায়বদ্ধতাৰ সাৰ্থক প্ৰকাশ ঘটিছে। সাংবাদিকতাৰ কৰ্মব্যস্ততাৰ মাজতো মনশীলতাৰে কাব্যচৰ্চা অব্যাহত ৰখা কবি গৰাকীৰ কবিতাসমূহ গভীৰ ইতিহাস প্ৰীতি আৰু সাম্প্ৰতিক সময়ৰ সংকূল পৰিবেশৰ প্ৰতি অত্যন্ত সচেতন হোৱা বাবেই হয়তো মাজে মাজে কথা হৈ পৰিব খোজে। কবিৰ মনৰ মাজত যেন বহুতো ক্ষোভ জমা হৈ আছে আৰু সেইবোৰ পাঠকক নজনোৱা পৰ্যন্ত শান্তি পোৱা নাই। প্ৰকৃতাৰ্থত কবিৰ মনৰ কথাবোৰ পাঠকৰ কাষলৈ লৈ যোৱাতোৱেই প্ৰধান লক্ষ্য হোৱা বাবে কেতিয়াবা কেতিয়াবা কাব্যিক প্ৰকাশ ভংগীয়ে উজুটি নোখোৱাকৈও থকা নাই। অশ্যে একে কাৰণতে কবি জিতুল কুমাৰ গগৈৰ ভাষা উদাত্ত আৰু তেজস্বী।

প্ৰকাশক ঃ জনকণ্ঠ প্ৰকাশন গোষ্ঠী
প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০১৬।
বেটুপাত ঃ কবিৰ নিজা
মূল্য ঃ ৫০/- টকা

**অৰূপজ্যোতি হাজৰিকাৰ— "ৰহিমলা, ঢেঁকীৰ চাবত হৃদয় কঁপেনে"**

বৰুৱা চাৰি আলিৰ আঁহত জোপাত যেতিয়া বেলিটো লুকাই আৰু জাঁজীমূখত কেতিয়াবা জোনাক নামেনে দুখন গ্ৰন্থৰ পিছত ৰহিমলা ঢেঁকীৰ চাবত হৃদয় কঁপেনে কবি অৰূপজ্যোতি হাজৰিকাৰ তৃতীয়টো সংকলন। মুঠতে একুৰি পোন্ধৰটা কবিতা

ন পৃষ্ঠাত

# প্ৰগতিবাদী চিন্তাৰ কবি ৰাম গগৈৰ কবিতাৰ এটি আলোচনা

ব্যৱসায়, নিৰনুৱা সমস্যা, শোষণ, নিৰ্যাতন, হত্যা, অপহৰণ আদি বিবিধ সমস্যাত কবি ভাৱাক্ৰান্ত। যান্ত্ৰিক সভ্যতাৰ ফলস্বৰূপে হোৱা শ্ৰেণী সমস্যা আৰু সংঘৰ্ষই মানুহৰ প্ৰমূল্য নোহোৱা কৰিছে। অথচ কবি নিৰাশ নহৈ মুক্তকণ্ঠে সহস্ৰ জনতাৰ দুখ-যন্ত্ৰণাৰ উপসম ঘটাবলৈ আগবাঢ়ি আহিছে। জীৱনৰ শেষ নাই আৰু মান জীৱনত সংগ্ৰামৰো ভাষা বুজিব পাৰিছিল আৰু মানুহৰ উত্তৰণৰ হকে চিন্তা কৰিছিল। ৰাম গগৈৰ প্ৰগতিবাদী কবিতাসমূহ এনে চিন্তাৰেই ফচল। এইজনা কবিয়ে কলাৰ বাবেই কলাৰ বশৱৰ্তী হৈ কবিতা ৰচনা কৰা নাছিল, জীৱনৰ হৈ মানুহৰ হকে কবিতা লাখিছিল। ৰাম গগৈৰ প্ৰগতিবাদী কবিতা বুলিলেই খাটি খোৱা জনতাৰ সঁচা ছবি একোখন চকুৰ সন্মুখত ভাঁহি আহে। দুবেলা-দুমুঠি খাবলৈ নোপোৱা, খাটি খোৱা শ্ৰমজীৱি মেহনতি জনতা আৰু শোষিত নিষ্পেষিত অসমৰ জনসাধৰণৰ প্ৰতিটো সমস্যাক ৰাম গগৈয়ে কবিতাত ঠাই দিছিল। কবিতাৰে খাটি-খোৱা জনতাক বিদ্ৰোহ কৰিবলৈ সাহস যোগাইছিল। শ্ৰমিক কৃষক মজদুৰৰ প্ৰত্যাহিক দুখ-যন্ত্ৰণা, চিন্তা-চেতনাৰ প্ৰকৃত সমভাগী আছিল ৰাম গগৈ। তেওঁ কবিতাৰ মাজেৰে কৃষক মজদুৰৰ দুখ-যন্ত্ৰণা সহৃদয় পাঠকৰ আগত উদঙাই দিছিল। শ্ৰমিক, কৃষকসকলক শোষণ কৰি সকলো কাঢ়ি লোৱা মধ্যভোগীসকলক কবিয়ে আঙুলি জোকাৰি 'পথাৰ কবিতাৰে সাৱধান কৰি দিছে। কবিয়ে কৈছে কৃষক সকল মাৰবান্ধি থিয় দিলে সেই শোষকসকলৰো পৰিত্ৰাণৰ পথ বিচাৰিবলৈ পলম হ'ব। 'পথাৰ' কবিতাটোৰ প্ৰসংগ এইখিনিতে উল্লেখযোগ্য—

*বিচিত্ৰ অভিব্যক্তি। সন্মিলিত কৃষকৰ সমস্বৰ*
*দৃঢ়কণ্ঠ বিননিত বিদ্ৰোহৰ জাগৰণ আহে*
*অভ্যুদয় প্ৰভাতী চেতনা...*

জনতাৰ কবিজনাই সাধাৰণ কৃষক শ্ৰমিকৰ কষ্টবোৰ জীৱন দেখি হাতত কলম তুলি ল'বলৈ বাধ্য হৈছিল। কবিয়ে ভৌগোলিক সীমাত আৱদ্ধ নহৈ সমগ্ৰ বিশ্বৰ কৃষকৰ মনোবেদনা 'পথাৰ' নামৰ প্ৰগতিশীল কবিতাটিৰে প্ৰকাশ কৰিছে। 'পথাৰ' কবিতাটোৰ শ্ৰমিক কৃষকজন কবিৰ চিনাকি কোনোবা আপোনজন নহয়। সমগ্ৰ বিশ্বৰ কৃষকৰ কৰুণ পৰিণতি 'পথাৰ' কবিতাটো উপজীৱ। প্ৰগতিবাদী চিন্তাৰ কবি ৰাম গগৈৰ কবিতাৰ ঘাই সুৰটোৱে হৈছে সাম্যভাৱাদৰ্শ। মাৰ্ক্সীয় চিন্তাৰে উদ্ধুদ্ধ কবিয়ে খাটিখোৱা জনতাৰ দুখ কষ্টৰ অনুভৱ বুজি পায়, সেয়ে মানুহৰ হকে চিন্তা কৰে। মাটিৰ বুকুত সপোন দেখা কৃষকৰ ঘাম আৰু হাড়ভঙা শ্ৰমক কবিয়ে সন্মান কৰে। আশাবাদী চেতনাৰে কবিয়ে শ্ৰমজীৱি মানুহক সাহস প্ৰদান কৰি কবিতাৰে কৈছে যিমানেই যন্ত্ৰণাৰ এদিন পৰিসমাপ্তি ঘটিবই। শিপাৰ পৰা বিচ্ছিন্ন হৈ বিচৰণ কৰি কবিতা ৰচনা কৰা বিধৰ নহয় ৰাম গগৈ। মূলৰ লগত সম্পৰ্ক দৃঢ় কৰিহে কবিয়ে জনতাৰ দুখ বেদনা, পোৱা-নোপোৱাৰ খতিয়ান কবিতাৰে উন্মোচন কৰিছে। সমাজৰ শ্ৰেণীগত বৈষম্য আঁতৰাই এখন শ্ৰেণীযুক্ত সমাজ গঠনৰ অবিৰাম চেষ্টাত ব্ৰতী আছিল ৰাম গগৈ। ৰাম গগৈৰ 'মাটিৰ স্বপ্ন' আৰু 'হে পৃথিৱী অন্তৰতমা' এই দুয়োখন কবিতাপুথিৰ প্ৰায়খিনি কবিতাই প্ৰগতিশীল চিন্তাৰে সমৃদ্ধ। কবিৰ প্ৰগতিবাদী কবিতাৰাজিৰ মাজেৰে কিছুমান বৈশিষ্ট্য ফুটি উঠিছে। যিবিলাক আন কবিৰ কবিতালকৈ সুকীয়া। ছাত্ৰ অৱস্থাৰে পৰা বাওঁপন্থী চিন্তাৰে প্ৰোথিত ৰাম গগৈয়ে ঘৰখনৰ পৰাই সাহিত্যৰ এক পৰিৱেশ লাভ কৰিছিল। ৰাম গগৈয়ে ঘৰখনৰ পৰাই সাহিত্যৰ এক পৰিৱেশ লাভ কৰিছিল। ৰাম গগৈৰ কবিতা বিলাকৰ মাজেৰে সৃষ্টি সত্তা আৰু ব্যক্তি সত্তা। একান্ত হৈ পৰিছে। আন কবিসকলৰ মাজত দেখা দ্বৈত ব্যক্তিত্বৰ প্ৰকাশ ঘটা দেখা নাযায় ৰাম গগৈৰ কবিতাত। আজন্ম প্ৰগতিশীল চিন্তাৰ অধিকাৰী ৰাম গগৈৰ কবিতাত আন্তজাৰ্তিক পুঁজিবাদী চিন্তাৰ প্ৰকাশ ঘটিছে। যিয়ে কবিৰ কবিতাক এক বিশেষত্ব দান কৰিছে। এইখিনিতে 'ইংগিত' কবিতাটোৰ উদাহৰণ প্ৰণিধানযোগ্য।

*সংকীৰ্ণ দৃষ্টিত তাৰ অৰ্থ নাই।*
*কিয়নো*
*মোৰ স্বপ্ন জাগ্ৰত দিনৰ*
*মোৰ দাবী মিলিত কণ্ঠৰ*
*মোৰ দৃষ্টি সুদূৰ প্ৰসাৰী*
*আসন্ন প্ৰসৱা-এই পৃথিৱীৰ মধুৰ ইংগিত*
*নৱ প্ৰভাতত এক নতুন সূৰ্যৰ*

শ্ৰেণীহীন সমাজ গঠনৰ পোষকতা কৰিছে ৰাম গগৈয়ে তেওঁৰ প্ৰগতিবাদী কবিতাৰ মাজেৰে। শ্ৰেণীহীন সমাজ গঠনৰ তীব্ৰ সুৰ ফুটি উঠিছে মাটিৰ স্বপ্ন, পথাৰ, ইংগিত, জোৱাৰ যিদিনা আহিলে নিৰ্ণয় আদি কবিতাৰ মাজেৰে। শ্ৰেণীযুক্ত এখন সমাজ গঢ়াৰ প্ৰৱল আগ্ৰহৰ লগতে সমাজতান্ত্ৰিক বাস্তৱবাদৰ মুক্ত আৰু শক্তিশালী প্ৰকাশ ঘটিছে কবিৰ কবিতাত। সমাজৰ যি ব্যৱস্থাই অসৎ লোকৰ জন্ম দিয়ে সেই অসৎ ব্যৱস্থাৰ বিৰুদ্ধে কবিয়ে কবিতাৰ মাজেৰে বিদ্ৰোহ প্ৰকাশ কৰিছে। প্ৰগতিবাদী কবিগৰাকীয়ে বিশ্বাস কৰে যে প্ৰচলিত সমাজ ব্যৱস্থাৰ সম্পূৰ্ণ পৰিৱৰ্তনেহে সমাজৰ উত্তৰণ ঘটাব পাৰে। শ্ৰেণীসচেতনতা ৰাম গগৈৰ প্ৰগতিবাদী চিন্তাৰ অন্যতম দিশ। তদুপৰি প্ৰগতিবাদী কবিতাসমূহৰ মাজেৰে কৰিব চেতনাত অনাগত সম্ভাৱনাৰ সপোন ফুটি উঠিছে। কবিয়ে সেয়ে কৈছে—

*"মই জানো, মই মাথোঁ*
*ধন লোভ ক্ষমতাৰ অসুৰ পূজাৰ*
*নিষ্ঠুৰ বলিৰ সামগ্ৰী*
*এক সাধাৰণ ভাৰতীয় আৰু*
*হয়তো এদিন মই,*
*মই নহ'লেও মোৰ অমৃত সন্তানে*
*পৰশুৰামৰ দৰে পৃথিৱী ভ্ৰমিব।*
এতিয়া, এতিয়া মাথোঁন মই নীৰৱে কান্দিছো।

ৰামধেনু যুগতে আত্মপ্ৰকাশ কৰি প্ৰগতিবাদী চিন্তাৰে কবিতা ৰচনা কৰি অসমীয়া কাব্য সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰা ৰাম গগৈ এজন সাৰ্থক কবি। যাৰ কবিতাৰ মাজত জনজীৱনৰ দ, চহা জীৱনৰ সুৰ প্ৰতিধ্বনিত হৈছে। যাৰ কবিতাই আজিও পাঠকৰ হৃদয় আহলাদিত কৰিব পাৰে। ৰাম গগৈ যদিও প্ৰগতিবাদী চিন্তাৰ অধিকাৰী, সমান্তৰালভাৱে ৰাম গগৈ এজন প্ৰেমিক কবিও। যিএকেটা সময়তে দুটা ধাৰাৰ কবিতা সৃষ্টি কৰি যাবলৈ সক্ষম হৈছিল। এইখিনিতে ৰাম গগৈৰ অতুলনীয় কাব্য প্ৰতিভাৰ স্বাক্ষৰ ফুটি উঠিছে। 'কোমল গান্ধাৰ'ৰ কবিতাসমূহৰ মাজেৰে কবিতা প্ৰেমিক মনৰ অনুভৱে প্ৰকাশ লাভ কৰিছে। 'মাটিৰ স্বপ্ন'ৰ মাজেৰে সমাজলৈ এক পৰিৱৰ্তন আনিবলৈ অক্লান্ত চেষ্টা কৰা প্ৰগতিবাদী সংগ্ৰামী কবি ৰাম গগৈৰ কবিতাই 'হে পৃথিৱী অন্তৰতমা'ৰ জৰিয়তে সাৰ্বজনীন আবেদন লাভ কৰি সৰ্বস্থানৰ শ্ৰমজীৱি মানুহৰ সম অধিকাৰ ঘোষণা কৰিছে। শেষত ক'ব পাৰি পথাৰ কবি, মাটিৰ স্বপ্নৰ কবি, জনতাৰ কবি ৰূপে পৰিচিত ৰাম গগৈৰ কবিতা প্ৰগতিবাদী চিন্তাৰ এক শক্তিশালী উদাহৰণ। তেওঁৰ কবিতাৰে প্ৰকাশিত হৈছে প্ৰগতিকামী, পৰিৱৰ্তনকাৰী চিন্তাৰ গভীৰতা আৰু বিশ্বজনীন আৱেদন। সমাজৰ কল্যাঁ তথা সৰ্বহাৰাৰ মুক্তিৰ জয়গানেই ৰাম গগৈৰ কবিতাৰ মূলমন্ত্ৰ।■

## জোন গলা ৰাতি

**ফণীন্দ্ৰ চেতিয়া**

এয়া জোন গ'লা ৰাতি
আকাশত ছাঁ-পোহৰৰ খেলা
মোৰ উৰুখা চালেদি
টোপ টোপ নিয়ৰ সৰিছে

মোৰ বুকুত জুই জ্বলিছে
ক্ষোভ আৰু প্ৰতিবাদৰ
বুকুৰ চিৰি লেখি লেখি
কিমান কটাম আৰু বঞ্চনাৰ ৰাতি
বিচাৰি বিচাৰি ভাগৰি পৰিছো
পূৰ্ণিমাৰ সেই জোন
কেনেকৈ উমলি থাকে
নদীৰ সপোন,
শেষ হ'ব অনন্ত যন্ত্ৰণা...
অন্যায়, অবিচাৰ।■



## ৰ'দৰ ফুল

**ৰাজশ্ৰী বৰগোহাঁই**
মাহমৰা

আজি ইয়াত ৰ'দৰ ফুল ফুলিছে
আকাশে গুড়ি গুড়ি পোহৰ চটিয়াই
জনাইছে স্বাগতম...
আমি এজাক জোনাকী
তিৰবিৰ দুচকুত
গুণগুণ মৌ-মাখিৰ গান

ডেউকা মেলি উৰিম আমি
ক্ৰমশ ঃ মাটিৰ পৰা মহাকাশলৈ
আজি ইয়াত ৰ'দৰ ফুল ফুলিছে
পোহৰাই তুলিব
পৃথিৱী...■

## পুথি পৰিচয়

সংকলিত হৈছে। যোৰহাট জিলাৰ টিয়ক পৰ্বতীয়া গাঁৱত জন্ম গ্ৰহণ কৰা কবি হাজৰিকাৰ এইটো সংকলনত পৰম্পৰাগত গ্ৰাম্য জীৱনচৰ্যাৰ পৰা আঁতৰি আহি যান্ত্ৰিকতাৰ মাজত প্ৰবেশ কৰিবলগীয়া হোৱা অসমীয়া জাতীয় জীৱনৰ প্ৰতি আহি পৰা সংশয় আৰু সংকটৰ কথা প্ৰকাশিত হৈছে। অশ্যে এইটোৱেই সংকলনটোৰ আটাইবোৰ কবিতাৰে বিষয়বস্তু নহয়। সমকাল চেতনাৰ আধাৰতো বহুকেইটা কবিতা ৰচিত হৈছে।

প্ৰকাশক ঃ সদৌ অসম কবি সন্মিলন
প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০১৩
বেটুপাত ঃ ৰণজিত গগৈ
মূল্য ঃ ৪০/- টকা

**টুনমণি বৰদলৈৰ —"জীৱনৰ ধুলিয়ৰি বাটেৰে"**

টুনমণি বৰদলৈৰ শতাধিক কবিতাৰ সংকলন জীৱনৰ ধূলিয়ৰি বাটেৰে। বিভিন্ন কাকত-আলোচনীত প্ৰাশিত কবিতাৰ লগতে বহুকেইটা অপ্ৰকাশিত কবিতাও সংকলিত হৈছে। সংকলনটোৰ নামটোৰ পৰাই কবি গৰাকীৰ অনুভৱৰ পৰিচয় পাব পাৰি। জীৱনৰ বাট মসৃণ নহয়। ধূলিময়, বোকাময়। কবিগৰাকীয়ে সাৰ্থকভাৱেই স্বীকাৰোক্তি দিছে —" বেছিভাগ কবিতাই (জীৱনৰ) ব্যক্তিগত উপলব্ধিৰ ওপৰতে( ?) ৰচিত . . . সামাজিক দায়বদ্ধতাৰে লিখিবলৈ দুই এটা প্ৰয়াস কৰিছো যদিও কিমানদূৰ সফল হৈছোঁ সেয়া পাঠক সমাজে বিচাৰ কৰিব।" স্বাভাবিকতে এইখিনিয়েই যিকোনো এজন কবি বা লেখকৰ ক'বলগীয়া। কাৰণ ব্যক্তিগত উপলব্ধি আৰু সামাজিক দৃষ্টিভংগী — এই দুটাৰ সন্তুলিত সন্মিলন ঘটিলেইতো সাৰ্থক সাহিত্যৰ সৃষ্টি হয়।

প্ৰকাশক ঃ কস্তুৰী প্ৰকাশন, ডিব্ৰুগড়। প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০১৫
বেটুপাত ঃ প্ৰাঞ্জল কুমাৰ লাহন। মূল্য ঃ ১০০/- টকা ■

## অভিশপ্ত জীৱন

**স্বৰ্ণ দিহিঙীয়া**

চহৰৰ অলিয়ে-গলিয়ে
কিম্বা পদপথত,
আনাহাৰে জহি-খহি যোৱা এটি নৰকংকাল।

অৱহেলিত জীৱন গাঁথা
নাই (সমাজত) মানৱীয়তা।
পৰিচয়বিহীন
এক যাযাবৰী জীৱন
পৰিধান মলিয়ন বস্ত্ৰ।

জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহ,
ভোকাতুৰ পেটৰ তাড়নাত
আগবঢ়াই দিয়া দুহাতত
নিষ্ঠুৰ পদাঘাত।

লঞ্ছিত বঞ্চিতজনৰ
হৃদয়বিদাৰক, মৰ্মন্তুদ প্ৰতিচ্ছবিয়ে
নকৰেনে হিয়াত আঘাত?

হায় কি যে বিধিৰ বিপাক
নিয়তিৰ নিষ্ঠুৰ পৰিহাস,
জীৱনৰ সংজ্ঞা মাথোঁ উপহাস
এনেকৈয়ে,
জীয়াই থাকিব লাগে
নাই কোনো প্ৰতিবাদ।

অৰ্থহীন জীৱনৰ
লক্ষ্যহীন যাত্ৰা
নাই কোনো উচ্চাকংক্ষা
এনেদৰেই হয়তো পৰিব এদিন
জীৱনৰ নাটৰ যৱনিকা।■

## সময়ৰ পুতলা আমি

**অৰিন্দম শইকীয়া**

গোলাঘাট

সময় হাতৰ তিনিটি আঙুলি
অতীত, বৰ্তমান আৰু ভৱিষ্যৎ
তিনি আঙুলি বুলনিৰ ঠাৰত নাচো আমি
যাৰ স্পৰ্শত পূৰ্ণ হয় জীৱনৰ চকৰি।
অতীতে স্মৃতি হৈ আহি মনত দোলা দিয়ে
বৰ্তমানে সপোনৰ ৰহণ আঁকি ফুৰে
ভৱিষ্যতে পোৱা-নোপোৱাৰ ধোঁৱাকোঁৱা এখন ছবি
আঁকে।
জীৱন বহু উত্থান-পতনেৰে ভৰা
সুখ-দুখ হাঁহি-কান্দোন নহয় যুগমীয়া
জীৱন-
কাৰোবাৰ বাবে ক্ষন্তেকীয়
কাৰোবাৰ বাবে শতবৰ্ষৰে আগুৱা।
জীৱন কালত পূৰ্ণ নহয় প্ৰাপ্তিৰ চাহিদা
জীৱন আৰম্ভ বিবস্ত্ৰৰে
যৱনিকা পৰে শুভ্ৰ চাদৰৰ আৱৰণে।■

## ভেটি

**চাহিদা বেগম**

আজি তুমি আছা
মইও আছোঁ
কাইলৈ তুমি নাথাকিবা
মইও নাথাকিম।

কোনে জানে কালিৰ দিনটোত
কি ঘটিব পাৰে
অজানিতে নামি আহিব পাৰে
তোমাৰ মোৰ মাজলৈ
অমানিশাৰ কালৰাত্ৰী
চৌদিশ হ'ব পাৰে আন্ধাৰ।

আহা, হাঁহি থাকো
চেঁচা হওঁ কঠিন হওঁ
আপোন হৈ পৰোঁ
কিছু সময়ৰ বাবে
বিভেদৰ প্ৰচ্ছায়া ভেদি
ৰচোঁ আহা জীৱনৰ গান।

আমি একেখনি আকাশৰ তলৰ বাসিন্দা
ৰ'দ, বৰষুণ
জোনাকৰ হাঁহি
আমাৰ বাবে একেই

তেন্তে তই মই
গোড়ামিৰে এইয়া কিহৰ যুদ্ধ
হিন্দু মুছলমান নামেৰে
চিঞৰি চিঞৰি মৰিছোঁ কিয় আমি

কিয় আমি অঙহী-বঙহীৰ
তেজ শুহি
ভোজৰ মেলা পাতিছো

ৰাম আৰু ৰহিম
শংকৰ আৰু আজানৰ
নামেৰে জীয়াই ৰাখোঁ আহা
অসমী আইক
মানৱীয় সত্তাৰে
গঢ়োঁ আহা সমন্বয়ৰ ভেটি।।■

## প্ৰাৰ্থনাৰ গান

**বিনু লস্কৰ ঠাকুৰীয়া**

মোৰ প্ৰাৰ্থনা প্ৰেমৰ এখন নদী হৈ
বুকুৰ মাজেৰে বৈ থাকিল
দুচকুৰ নীলাত ফুলিল নীলপদ্ম
মেঘৰ শেতেলিত তৰাবোৰে উচুপিলে
জোন নথকাৰ দুখত

বুকুৰেদি বৈ থকা নদীখনে ক'লে
জোন চেৰাশালিত
তৰাবোৰ দুখে বেজাৰে টোপনি গ'ল
নজগালো সিহঁতক উৰেটো ৰাতি।■

## ৰাম গগৈক সোঁৱৰি

**মেঘালী ৰাজকুমাৰী**

সাম্যবাদ, ফেচন সৰ্বস্বৱাদী, অক্টোপাছৰ
আলিংগন,
জনতাৰ দেহত কেম্পাৰে কাঁহে
মাক্স, লেনিনৰ তত্ত্বত বিশাল মহাসভা
সভাৰ পিছত পঁয়া লগা শিশুৰ হাঁহি
অনুভৱ কৰোতাই মেলি লয় 'এখন চিঠিৰ
কথা।'
পৰিপূৰ্ণ ভাৱনা তোমাৰ সৃষ্টিত
নাৰী হয় চন্দ্ৰমল্লিকা সদৃশ
নাৰীৰ দেহত কামিনীকুসুম, সুবাসিত চৌপাশ
ক'ত নাই তুমি, হে মহান কবি
তোমাক প্ৰণাম।
আজিও
মোৰ চকুত ভাঁহি আছে, ৰঙা অঙঠা যেন
তপত
ফুলৰ দৰে কোমল, কাচৰ দৰে স্বচ্ছ
পানীৰ দৰে নিৰ্মল এখন মুখ।

ৰঙা জোলোঙাত কিহৰ জিলিঙনি
অ' মোৰ প্ৰিয় কবি
সেউজ পথাৰৰ সপোন বান্ধি
মাটিৰ স্বপ্নত উজাগৰী ৰাতি।

সপোন ভঙা নিশা দৰিদ্ৰ কৃষকৰ বুকুৰ কুটুম
চিন্তাত ভাগি উজ্জ্বলি জ্বলে
শীতল পাটি 'পথাৰৰ' বুকুত।

শোষিত জনতাৰ অমানিশাৰ ৰাতি
গুজৰি-গুমৰি, অৱসাদৰ মৰীচিকা
'মুক্তিৰ' কাষত গায় বিপ্লৱৰ গান।

ৰাজনীতিৰ চলাহী নাও, বঠাৰ চাববোৰ
দ কৈ শিপায়
বানপানী আহে আৰু যায়
জুপুৰিৰ টিপ চাকৰি পোহৰত তোমাৰ
'অমৃত মন্থন।'

অৰণ্যবোৰ সেউজীয়া, দেহত ধূলি আৰু
ধোঁৱা
চৰাইবোৰ উৰি আহে পানীৰ সন্ধানত
পি খায় এচলু পানী, এৰাসুঁতিৰ পাৰত
তোমাৰ 'যন্ত্ৰণা' সোঁৱৰি।

বিপ্লৱী চেতনা, সাম্যবাদৰ চেতনা
স্বদেশ স্বজাতিক ভাল পোৱা
জন্ম মুহূৰ্তৰ প্ৰতীক্ষাত'
হে পৃথিৱীৰ অন্তৰ আত্মা
আমাক লাগে এতিয়া।■

## মাজুলীৰ গধূলি

**সোণাৰু সৌৰভ বৰা**

মেৰাপানী

নিমাতীঘাটৰ নিমাতি কনেঙজনীৰ তন্ময়তা ভাঙি
টৌতে দেও দি নচা নাই ৰূপোৱালী পুঠি
মাজুলীত নামিছে এতিয়া বিষাদৰ সেমেকা গধূলি

শিমুলবন কপোঁৱা ঐনিতমৰ কলি
দুমদুম পেম্পাটি, মিঠাসুৰৰ গুংগাংখনি
চৈধ্যপ্ৰসঙ্গ, ডবা-শংখ হৰিনামৰ ধ্বনি
সকলো তল পেলাই
বৰলুইতত খলকনি তুলি হুৰুসকৈ খহিছে গড়া
খহনীয়াত জাহ গৈছে মৰম ঘৰ-ভেটি-খেতি-
মাটিডৰাত

অ' অসমৰ 'ভেটিকান চিটী'
নৈপৰীয়া সেমেকা বতাহতো শুনো তোৰ উচুপনি

জপং-জপংকৈ কেৱল গড়া খহা নাই
মাজুলীৰ হৃদয় খহিছে
লুইতত মাজুলীৰ দেহা জহিছে
বৰলুইতত ডকা ফুটিছে
এপল-দুপলকৈ কালসন্ধ্যা নামিছে

কৃষ্ণবিৰহিনী ৰাধাৰ শোকত মতলীয়া অ' মাজুলী
তোৰ বেথা কোনে শুনিছে
কোনেনো দেখিছে??■

## তুমি নীলকণ্ঠী ব্ৰজ হোৱা

**কল্পনা প্ৰিয়দৰ্শীনি চেতিয়া**

মাহমৰা

ক'ত যে হেৰাল তোমাৰ
তাহানিৰ ৰঙীয়াল মন
ওঁঠৰ মিঠা হাঁহি আৰু
তোমাৰ চকুজুৰিত কি বুদ্ধিদীপ্ত চাৱনি
এতিয়া সেমেকা তোমাৰ চকুৰ পতা
নিৰ্বাক-নিস্পন্দন তুমি ...
যাতনাৰ বোজা বৈ
গ্লানিৰ টোপোলা কঢ়িয়াই
তুমি এতিয়া দুখৰ প্ৰতিমূৰ্তি
প্ৰতি নিয়ত বুকুতৰুৱাই জ্বলি থাকে
একুৰা ভোকৰ জুই
সপোনে কন্দুৱাইছে তোমাক
অভাৱ আৰু সমস্যাই শিকাইছে তোমাক
দুখ কি, গ্লানি কি
সুখৰ সংজ্ঞা কি
তুমি নিপীড়িত নিৰ্যাতিতৰ জীৱন্ত প্ৰতীক
সাহসী হোৱা যুঁজিবলৈ
শিলৰ পোছাক পিন্ধি
বিষ গিলিবলৈ

তুমি নীলকণ্ঠী ব্ৰজ হোৱা
তুমি নীলকণ্ঠী ব্ৰজ হোৱা
উলটি নেচাবা আগুৱাই যোৱা।■

## বৰদৈচিলা

**দিলীপ কুমাৰ শৰ্মা**
বৰপথাৰ

সময় চকৰিৰ তাগিদাত
ফাগুনে মাগিলে মেলানি,
শেষ হ'ল ধূলিৰ ধেমালি
চ'তৰ পদূলিত এইয়া কৰা আদৰণি?
বৈ বৈ সৰিছে সৰগৰ অমৃত কণা
নিৰাবৰণ, নিৰাভৰণ শুষ্ক বসুন্ধৰাত
ধীৰে ধীৰে সঞ্চাৰিত প্ৰাণ
যেন লভিলে সঞ্জীৱনী;
সেউজ বুলীয়া হ'ল যত তৰু-তৃণ
নাহৰ, তগৰ, কেতেকীৰ সুগন্ধি সম্ভাৰেৰে
এটি মধুৰ, শুদ্ধ পৰিৱেশত
ৰূপহ কোঁৰৰক আদৰাৰ
প্ৰকৃতিত অপূৰ্ব আয়োজন।
সময় চাকৰিৰ তাগিদাত
ফাগুনে মাগিলে মেলানি,
চ'তৰ পদূলিত এইয়া কাৰ আদৰণি?
বসন্ত আহি বাটচ'ৰা পালেহি
খবৰটো বৌজাল-বৌজাল হ'ল;
আগমনৰ বতৰা পাই
বৰদৈচিলাজনীৰ ইচাতি-বিচাতি মন
সাতখন আঠখন গা।
বসয়ৰ হাঁতোৰাই পৰশিব নোৱাৰা চিৰযৌৱনা
তৰুণী বোৱাৰী তাই
মাকৰ ঘৰলৈ যাব থৌকি-বাথৌ হিয়া
কাচনমতী তাই
হঠাতে বাউলী হ'ল
সাজন-কাচন এৰি
কেশ মেলি হ'ল ধাৱমান
পিছে পিছে অনুচৰ-
বিজুলী, ঢেৰেকণি, শিল-বৰষুণ
দলদোপ-হেন্দোলদোপকৈ।
খোজত নাই লয়লাস।
তাইতো ন-কইনা নহয়
ক'তনো থাকিব লাজুকী মিচিকি হাঁহি
দূৰন্ত গতিৰে তাই দুৰ্দান্ত
বকুৰ অযুত সাহ,
গতিৰুদ্ধ কৰে তাইক
কাৰ ইমান মৰসাহ?
চোতালকে সাজঘৰ সাজি
পাৰি দিলো বৰপীৰাখনি
থলো তাতে কাকৈ-ফণি,
দাপোন এখনি
থমকি ৰৈ
উন্মুক্ত কেশতাৰি
ফণিয়াই বান্ধি লওঁক বুলি।
দেখিও নেদেখাৰ জুৰিলে ভাও
তাইৰ যে আহৰিয়েই নাই
এমহীয়া যাত্ৰা,
উভতিব লাগিব
জিৰাবৰ নাই অনুমতি
বৰদৈচিলাজনী হঠাতে বাউলী হ'ল
হেৰুৱালে হিতাহিত জ্ঞান
গছকত মোহাৰিছে
পিতাইৰ বাস্তৱ আৰু
আমাৰ সপোনবোৰ
নিমিষতে তচনচ কৰি।■

## এযোৰ পোছাক ছিলাইছো

**হীৰক জ্যোতি গগৈ**
যোৰহাট

মই এযোৰ পোছাক চিলাইছো
শিলৰ পোছাক।
যি পোছাকত পিছলি যাব
মানুহৰ প্ৰতি থকা
দয়া-মমতা মানৱীয়তা
কেতিয়াও স্পৰ্শ কৰিব নোৱাৰিব
দস্যু মানৱৰ হাস্যতাৰ প্ৰতীক।

মই এযোৰ পোছাক চিলাইছো
যি পোছাকত খোদিত আছে
স্বাৰ্থপৰ, নিষ্ঠুৰতা জীৱন শৈলী।

অকপটে সন্মুখীন হোৱা যাতনাত
চাৰখাৰ হোৱা কলডিলিয়া কলিজাটো
কেতিয়াও আৰু ধ্বংস নহয়
ভংগ নহয়
মানৱতাৰ প্ৰতি আগবঢ়া
স্বপ্নৰ এই দুহাত

সেয়ে মই আজি এযোৰ পোছাক চিলাইছো
শিলৰ পোছাক
যি পোছাক ভেদি কঁপাব নোৱাৰিব মোৰ অন্তসত্বা
থাকিব কেৱল
নিষ্ঠুৰতা।■

## নদী

**ছানকুমাৰ কলিতা**
কামৰূপ

জীৱন নদীৰ নিসিদ্ধ ঘাট
এটাত স্তব্ধপ্ৰায় মোৰ উশাহ
এপল-দুপলককৈ
তেজঘোৰা বেলিৰ ৰঙালীৱৰণ
আজি কঙালী

মইটো সুখত আছিলো
কিছুমান অবাঞ্চিত উল্কাকণাই
হুল হৈ বিন্ধিছে,
ৰক্ত প্ৰবাহী মোৰ ন্যায্য দেহৰ

এচুকত সজ্জিত
কাঁচৰ দৰে থুনুকা মনটো
মিনিটতে ভাঙি চুৰমাৰ হৈ
চিটিকি পৰিছে।
মজিয়া অশুভ,
অশুভ বৰ্তমান
অশুভ ভৱিষ্যৎ
ভগ্ন কণ্ঠে উচুপি-উচুপি
নিজক শেষ কৰা কৰা উপক্ৰম,

বিষাদবোৰক সামৰি ৰছি এডাল গুঠিম
আৰু বৰ্তমানৰ কোনোবা এটা ক্ষণত
ওলমি ৰ'ম,
জীৱন নদীৰ নিসিদ্ধ ঘাটত,
মুক্তমনে
মুক্তক্ষণে।■

## এটা কাহিনীৰ পাতনি

**মাধৱ শৰ্মা**

এটা কাহিনীৰ পাতনিতে
থমকি ৰৈ আছো ইমান পৰ
এই কাহিনী মোৰ,
আপোনাৰো হ'ব পাৰে,
সকলোৰে হোৱাৰো পূৰ্ণ সম্ভাষণ।

মেঘে ঢকা গোমা আকাশ
অথবা গ্ৰহণ লাগি হেৰোৱা জোনাক
সকলো আছে এই কাহিনীত।
পূৰ্ণিমাৰ স্নিগ্ধতাও নথকা নহয়।
ঠিক যেনেকৈ আছে,
ৰ'দ-জ্বলা সুৰুযক সিঞ্চৰা
দোপাল-পিটা বৰষুণৰ শিহৰণ।

ক'ত আৰম্ভ কৰো বাৰু?
আৰম্ভণি নাই এই কাহিনীৰ,
শেষ নাই; আছে কেৱল
চিৰকালৰ চকু চহাই
আকালেৰে ভঁৰাল চপোৱাৰ গান
বালিঘৰত আকাশ জীয়াই থোৱাৰ গান।
জীৱনৰ খলা-বমা খেপিয়াই খেপিয়াই
উচাহ বুটলি অনাৰ খতিয়ান।

উঠি পৰাৰ বা পৰি উঠাৰ ইতিহাস,
নিয়তিৰ আশ্ৰয় কিম্বা নিষ্ঠুৰ পৰিহাস,
ভংগশাই ঠেলি অনা এবুকু হুমুনিয়াহ,
অগ্নাংশতে পূৰ্ণতা সন্ধানৰ অভিলাস...
এই কাহিনীৰ পাতে-পাতে

হয়, এই কাহিনী আপোনাৰ, মোৰ।
এই কাহিনী শত্ৰুৰ, মিতিৰৰ।
ভাঙি গঢ়াৰ, গঢ়ি ভঙাৰ
মানুহৰ সভ্যতাৰ ভঙা-গঢ়াৰ
এয়ে কাহিনী অনাদিৰ পৰা অনন্তলৈ

আঃ চাওকচোন। অজানিতে দেখোন
লিখা হৈয়ে গ'ল কাহিনীৰ পাতনি■

## জীৱনৰ বাটত

**মাতু হাতীমুৰীয়া চেতিয়া**
মাহমৰা

জীৱনৰ বাটত গৈ আছো খুপি খুপি
সন্মুখত খলা-বমা পথ
ঘোপমৰা আন্ধাৰৰ মাজতো
যাত্ৰা কৰিছে জোনাক বিচাৰি

হঠাৎ থমকি ৰৈছো
দূৰৈত এটি তৰাৰ পোহৰ...
পিছলি পৰিছো আকৌ উঠিছো
ধৰিবৰ চেষ্টা কৰিছো উজ্জ্বল তৰাটি

কিন্তু এয়া দেখোন তৰা নহয়
সন্ধিয়াৰ জোনাকীহে...
অবস শৰীৰে তাইৰ কাষত
জিৰণী ল'লো ক্ষণিকৰ বাবে

আকৌ আৰম্ভ কৰিলো যাত্ৰা
জীৱনৰ ...?■

## সোঁৰৰণীৰ সেওঁতাৰে

**আইলুং লাহন বৰা**
গুৱাহাটী

নৈ বৈ যায়
সোঁৰৰণীৰ সেওঁতাৰে
লচপচাই থাকে
এশ এটা
হাঁহিৰ উজান...

নাৱৰীয়াৰ বনগীতৰ সুৰত
তগৰগাই থাকে
কৃষ্ণচূড়ামৰ বাট

দেওলগা যাত্ৰাত
সপোনৰ শেষ
কাতৰ এক হুমুনিয়াহ

জলং-জপম খোজৰ
দুটা দ পুখুৰীৰ
পানী তোলা দলং...

সেই সেওঁতাত
শুভ্ৰতা
যেন এডৰা কঁহুৱা...

সোঁৰৰণীৰ বাটত
এচাকি কাজল,
... আৰু সকলো
আঙুলীৰ ফাকেৰে সৰি পৰা
নিঃসীম মায়াময়তা ■

## দ্যুতি

**মদাৰ জ্যোতি**
নগাঁও

ডাল ভৰি ভৰি ফুলা ফুলৰ থোপা হালে
বসন্ত-বন্দনা বহলাই নাগাবা
চোৱা চোৱা মুখ লাগি ফুলৰ পাহি সৰে

গান এটা একলে গোৱা
নিৰলাত বতাহে শুনাকৈ
জোনাকত তিতি থকা প্ৰকৃতিয়ে বুজাকৈ
যি সুৰ ভূমিৰ ফুল হৈ বিয়পি যাব
উভটনি বাটেৰে নাভিমূললৈ

দুগাল ভৰি ভৰি দুচকুৰ চকুলো ভাঁহে
দুখৰ সোঁৰণি মনলৈ নানিবা
চোৱা চোৱা ভালপোৱাৰ ঘাঁ লাগি
বাঢ়িছে হৃদয়ৰ অসুখ

প্ৰৰ্থনা এটি অকলে গোৱা
নিজানত আত্মাই শুনাকৈ
ত্যাগৰ উপচাৰৰে নৈবেদ্য গঢ়াকৈ
যি সুৰ শোকৰ আলোক হৈ বৈ যাব
চেতনাৰ প্ৰবাহৰে সঞ্জীৱনৰ অমল প্ৰপাতলৈ■